কু[redacted]ৰণ

কবি

শ্ৰীচন্দ্ৰধৰ বৰুৱা

ৰচিত

প্ৰকাশক,

কটকী কোম্পানী,

যোৰহাট।

৩য় সংস্কৰণ

১৮৭৩ শক।

মূল্য—।৵০ অনা

কুমৰ-হৰণ।

কবিবৰ

শ্ৰীচন্দ্ৰ ভাৰতিৰ দ্বাৰা

ৰচিত।

বৰকটকী কোম্পানীৰ দ্বাৰা

প্ৰকাশিত।

যোৰহাট

তৃতীয় সংস্কৰণ

১৮৭০ শক।

বেচ—বাৰ অনা

যোৰহাট অৰুণা প্ৰিণ্টিং আফিচত,
শ্ৰীগোবিন্দচন্দ্ৰ বৰকটকীৰ দ্বাৰা ছপা কৰা হল।

শ্ৰীকৃষ্ণায় নমঃ ।

কুমৰ-হৰণ ।

পদ ।

জয় জয় গণেশ্বৰ জয় শিৱঙ্কৰ ।
জয় দামোদৰ জয় জয় মহেশ্বৰ ॥
জয় মহালক্ষ্মী দেৱী জয় সৰস্বতী ।
একেবাৰে সবাহাকে কৰোহোঁ প্ৰণতি ॥
জয় নমো কৃষ্ণ বিষ্ণু বৈকুণ্ঠ মাধৱ ।
জয় ত্ৰিজগতপতি জগত বান্ধৱ ॥
জয় হৰি অপাৰ সাগৰে কৰা পাৰ ।
জয় জয় দৈত্যাৰি দানৱ অনিবাৰ ॥
প্ৰণামো সহস্ৰ শিৰ সহস্ৰ লোচন ।
প্ৰণামো সহস্ৰ বাহু সহস্ৰ চৰণ ॥
প্ৰণামো সহস্ৰ নাসা সহস্ৰেক কৰ্ণ ।
প্ৰণামো মাধৱ তৱ চুকুৰ চৰণ ॥

সংসার সাগরে মজি আছে সর্ব্বজন।
মহাভাগবত নৌকা তাহার তরণ॥
যদি শুদ্ধ চিত্তে শুনে এহি ভাগবত।
সংসার সাগর জলে তরিব নীলাত॥
মহাভাগবত চারি বেদত্তে প্রধান।
পুরাণ ভারতে আর স্মৃতিকে সমান॥
আর এক পদ যিবা শুনে শুদ্ধ মনে।
কোটি এক বংশে লৈয়া চলে বিষ্ণু-থানে॥
হেন মহা ভাগবত পদ বন্ধ করি।
বিরচিবো হৈয়ো মোত সুপ্রসন্ন হরি॥
মুকুতিত মন যার বজে শুনিয়োক।
বিষ্ণুর কথাত নিন্দা নকরিবা মোক॥
অনিরুদ্ধ কুমর যে বন্ধলে মুরারি।
যেহে বিহাইলন্ত উষা বাণর কুমারী॥
কুমর-হরণ কথা অমৃত সংকাশ।
শ্রীচন্দ্রভারতি পদ করিলা প্রকাশ॥
হেন শুনি পরীক্ষিতে করি যোর হাত।
কুমর-হরণ কথা পুছিলা সাক্ষাত॥
কেনে চিত্রলেখা কুমরক নিলে হরি।
অনিরুদ্ধে উষাক বিহাইল কেন করি॥
হরি হর যুদ্ধ তাত হৈলা কেন করি।
কহিয়ো কৌতুক কথা শুনো কর্ণ ভরি॥

একচিত্তে আছোহো ভোজন ভেজি বলে।
হরি কথা শুনি নিতে শরীর শীতলে॥
হেন শুনি শুক মুনি ব্যাসর তনয়।
পরীক্ষিত নৃপতিক বুলিলা বিনয়॥
শুনিয়ো নৃপতি ইটো অতি বিত্তোপম।
সারশেষে কহো কথা কুমর-হরণ॥
অনিরুদ্ধ কুমরক বাণর নগরী।
যেন মতে চিত্রলেখা আনিলেক হরি॥
যেন মতে আনিলা শোণিতপুর থান।
ঊষায়ে সহিতে বিহা ভৈল যেন থান॥
বাণ নৃপতির কর সহস্র সুবেশ।
শুনা যেনমতে ছেদিলন্ত হৃষীকেশ॥
হরি হর যুদ্ধ তাত ভৈলা যেনমতে।
শুনিয়োক নৃপবর কহিবো সমস্তে॥
শোণিত পুরত বলি নৃপতির শাল।
বামন স্বরূপে হরি পঠাইলা পাতাল॥
তান বীর্য্যে এক শত পুত্র ভৈলা জাত।
সবাহাতে শ্রেষ্ঠ বাণ নামত প্রখ্যাত॥
বাণর রাজ্যত বলবন্ত মহারাজা।
পুত্রবন্তে স্বধর্ম্মে পালন্ত সবে প্রজা॥
তপে জপে বলে বীর্য্যে বাণ মহাশয়।
সম্মুখ সমরে জিনিবাকো নপারয়॥

সহস্ৰেক বাহু তাৰ কৰে জাতিকাৰ ।
চাৰাবেক অস্ত্ৰ বীৰ ধৰে একেবাৰ ॥
সহস্ৰ কিৰণ ৰবি সম দেখি যাক ।
কোন বীৰ আহৱে সমুখ হইবে তাক ॥
তপে জপে ধ্যানে আৰাধয় মহাদেৱ ।
শঙ্কৰত পৰে তান আন নাহি কেৱ ॥
হৰগৌৰী পূজন কৰয় নিত্তে নিত্তে ।
শিৱত ভকতি আতি কৰে একচিত্তে ॥
তাৰ নৃত্য গীতে তুষ্ট ভৈলা গৌৰীহৰ ।
আগতে বেকত হুয়া বুলিলা উত্তৰ ॥
তুষ্ট ভৈলো ভকতিত লৈয়ো ইষ্ট বৰ ।
হেন শুনি বলি স্তুতে দিলন্ত উত্তৰ ॥
যদি মোক সুপ্ৰসন্ন ভৈলা দেৱ হৰ ।
তোমাত ভকতি হোক দিঅ এহি বৰ ॥
প্ৰতি দিনে যেন মই দেখিবো তোমাক ।
আতপৰে আন বৰ নলাগে আমাক ॥
এহি হৌক বুলি দিলা হৰেও উত্তৰ ।
বৰ পাই । নিজ থানে গৈলা নৃপবৰ ॥
শঙ্কৰক পূজিতে সাজিলা দেৱঘৰ ।
কৈলাস শিখৰ যেন দেখি মনোহৰ ॥
সেহি ঘৰে হৰগৌৰী পূজে নিত্তে নিত্তে ।
শঙ্কৰত ভকতি কৰয় একচিত্তে ॥

সৰ্ব্বক্ষণে শিৱ শিৱ বোলে মহাভাগ।
নিতে একবাৰ শঙ্কৰক পাৱে লাগ॥
মহাবীৰ বাণাসুৰ ত্ৰৈলোক্য ৰাখানি।
শত পুত ভৈল তান কন্যা একখানি॥
গণি পঢ়ি তান পাছে উষা নাম থৈল।
পুত্ৰতো অধিক শত গুণ স্নেহ ভৈল॥
প্ৰতি দিনে অতিশয় বাঢ়ে বৰ বালা।
শুকুল পক্ষত যেন চন্দ্ৰমাৰ কলা॥
সকল লক্ষণে পূৰ্ণ নাহি কতি ক্ষুণ।
কোনেনো বৰ্ণাইবে উষা কুমাৰীৰ গুণ॥
এক দুই তিনি চাৰি পাঞ্চ ছয় ভৈল।
সাত আঠ নৱ দশ বৰ্ষ বহি গৈল॥
একাদশ এবাৰ ভৈল দ্বাদশ বৎসৰ।
ৰূপ দেখি লোভ ভৈল সুৰাসুৰ নৰ॥
বিচিত্ৰ অঙ্গত আছে অলঙ্কাৰ পাতি।
চিকিমিকি কৰে যেন চন্দ্ৰমাৰ কান্তি॥
পূৰ্ণিমাৰ শশী সম বদন প্ৰকাশে।
জ্বলি যায় কামানল মুচুকীয়া হাসে॥
অধৰক বিম্বফল বুলিবাক পাৰি॥
দশন পঙ্কতি যেন মুকুতাৰ শাৰী॥
হৃদয়ত দুই স্তন দেখি কৌতুহল।
যেন অভিনৱ ডাড়িম্বৰ দুই ফল॥

ক্ষীণ দেহা কুমাৰীৰ মধ্যো চাপে কায় ।
নাভীসত্তে লৰে আতি ভাগি নপৰয় ॥
উৰু কৰী-কৰ সম বলিত সুঠাম ।
গমনত যেন ৰাজহংসিনী পৰাম ॥
নাসা তিলফুল যেন দেখিতে শোভন ।
বলিত বর্তুল উৰু বহল জঘন ॥
ৰাজহংস গমনে চলয় ধীৰে ধীৰ ।
ৰূপ দেখি পুৰুষৰ মন নোহে থিৰ ॥
উষাৰ ৰূপত উপমাৰ নাহি ঠাই ।
যেহি অঙ্গে দৃষ্টি পৰে তাকে থাকে চাই ॥
সৰ্ব্বসুলক্ষণী সৰ্ব্বগুণে গুণৱতী ।
শুদ্ধভাৱে হৰক পূজয় নিতে নিতি ॥
শিৱৰ মন্দিৰ যৈত সাজি আছে বাণ ।
নিতে শিৱ গৌৰীক পূজয় সেহি থান ॥
উষাত ভৈলন্ত তুষ্ট দেৱী জগন্মাতা ।
বান্ধিলন্ত গোসানী উষাৰে সখিয়তা ॥
প্ৰতি দিনে যান্ত উষা গোসানীৰ ঠাঁৱ ।
গোসানীৰ সঙ্গিতে ভৈল মিত্ৰৱতী ভাৱ ॥
উষাক দেখিয়া পাৰ্ব্বতীৰ ৰঙ্গমন ।
গায়ে তুলি কোলে কৰি চুম্বে ঘনে ঘন ॥
এহি মতে দুইৰো বেৰে কতো দিন গৈল ।
শুনিয়োক তাত পাছে যেন কথা ভৈল ॥

এক দিনা উষাক বুলিলা বলি বাণ।
মনে বিমৰষি উষা থৈবো কোন থান॥
অন্তঃতে উষাৰ দেখো হৈল কন্যাকাল।
আউৰ মোৰ গৃহত থৈবাক নোহে ভাল॥
নতু বিভা দেন্তে কন্যা যদি নষ্ট যায়।
ইহলোকে পাপ পৰলোকে নৰ্ক পায়॥
যদি নষ্ট কন্যা বিভা দেই মাৱে বাপে।
একৈইশ পুৰুষ ভুঞ্জে নৰ্ক সেই পাপে॥
আৰো শুনি আছো মই ভাৰত পুৰাণ।
কাউ তুষ্টা হৈলে পিতৃ চণ্ডাল সমান॥
চৰাল কালত বাপে ৰাখিবে কন্যাক।
যুবা হৈলে স্বামী সঙ্গে লাগে ৰক্ষিবাক।
বৃদ্ধকাল হৈলে পুত্ৰে পোষে যত্ন কৰি।
তিনিয়ো কালত নাৰী নোহে স্বতন্ত্ৰী॥
এহেকেসে ৰাখিবাক লাগে ভাল কৰি।
যেন মতে শুদ্ধভাৱে থাকন্ত সুন্দৰী॥
বিহাকাল মানে মোৰ ৰাখিবে যুৱায়।
পাছে যেহি লাগে তোক কৰ্ম্ম অভিপ্ৰায়॥
উষা উপযোগ্য বৰ যাৱে নাহি পাওঁ।
তাৱে নিয়া উষাক নিৰ্ব্বাস দিয়া থওঁ॥
হেনমতে গুণি স্থিৰ কৰিলন্ত বাণে।
পাতিল বেৰঘৰা আতি নিজ্জাল থানে॥

চতুৰ্ভিতি বেঢ় আতি দিল গঢ়ি গড়।
চুৰীক দিলে অতিশয় মহা দৃঢ় ॥
গড়ক বেঢ়িআ দিলা খাট বিপৰীত।
আতোক মনুষ্য দেৱ নপাৰে লঙ্ঘিত ॥
উষাক থৈলন্ত নিয়া তাহাৰ মাজত।
বৃদ্ধ বৃদ্ধা নাৰীগণ দিলেক লগত ॥
বাণ নৃপ অমাত্য কুম্ভাণ্ড নাম যাৰ।
চিত্ৰলেখা নামে এক কন্যা আছে তাৰ ॥
ৰূপে গুণে উষাৰ সমান চিত্ৰলেখী।
উষা চিত্ৰলেখী দুইহন্তো প্ৰাণসখী ॥
শয়নে ভোজনে একেসঙ্গে দুই সখী।
ক্ষণেকো নিজীয়ে দুই দুহাকো নেদেখি ॥
সৰ্ব্বক্ষণে উষাৰ নছাৰে তাই পাশ।
উষাৰ সঙ্গতে চিত্ৰলেখাৰ নিবাস ॥
হেনমতে থাকে দুয়ো নাহি সুখ শান্তি ॥
দেখিতে নপাই সূৰ্য্য চন্দ্ৰৰ জেউতি।
চিত্ৰলেখা সুন্দৰী পঢ়ায় কাব্যকোষ।
খনো পাশা খেলি কৰে হৃদয় সন্তোষ ॥
বন্দীৰ আকাৰে উষা থাকয় ভিতৰে।
বাহিৰে নোলাই বাণ নৃপতিৰ ডৰে ॥
উষায়ে বোলন্ত সখী কৰি আছো পাপ।
নজানো কিসক লাগি খজিলেক বাপ ॥

ক্ৰোতীয়াৰ থাকে নিৰ্ব্বাসক দিলে মোক ।
বন্দীৰ আকাৰ হৈলো নেদেখোহো লোক ॥
চিত্ৰলেখা সমে হয়ো আলোচন্ত কায় ।
হৰগৌৰী চাহিবাৰ ছলে হুইগো বাজ ॥
হৰগৌৰী দেখিবা খণ্ডোক মোৰ পাপ ।
সদকৰ্ম্ম কৰিলেনো কি কৰিবে বাপ ॥
এতি আলোচিয়া ঊষা নিতে ভেগ চাই ।
সখী সমে গৈলা হৰপাৰ্ব্বতীৰ ঠাই ॥
বিদ্যমানে বসিয়া আছন্ত হৰগৌৰী ।
প্ৰত্যক্ষ দেখিলা গৈয়া ৰাজাৰ কুমাৰী ॥
মহাৰঙ্গে চিত্ৰলেখা তান পাশে গৈলা ।
কৰযোৰ কৰি পাছে তাই থিৰ হৈলা ॥
শুনা সভাসদ লোক ভাগৱত কথা ।
বোলা হৰি হৰি জন্ম নকৰিও বৃথা ॥

ছবি ।

হৰক দেখিলা বালা কপালত চন্দ্ৰকলা
গাৱে দোলে বাসুকিৰ মালা ।
পৰিধান বাঘছাল তিনি গোটা চক্ষু ভাল
চন্দ্ৰ সূৰ্য্য অগনিৰ জ্বালা ॥

শ্বেতবৰ্ণ কলেৱৰ ফটিকতো চিকণ
শিৰে গঙ্গা কৰয় প্ৰকাশ
দুৰ্গাদেৱী মনোৰঙ্গে আনন্দতে মন মগ্ন
আলিঙ্গি ধৰিলা তুলি হাত।

ধৰি আনি অবিকলে আতি বৰ কৌতূহলে
বদন চুম্বন্ত ৰঙ্গ মনে।
দেখিলেক উষা যাই দৃষ্টি ভৰি আছে চাই
আনন্দে পূৰিত সৰ্ব্বক্ষণে॥

ভৈল অৱনত ভাৰ নমিয়া গৌৰীৰ পাৱ
জানুশিৰে পৰিল ভূমিত।
উষাৰ দেখিয়া ভাৰ সম্বৰিলা জগন্মাত
হাসি হাসি বোলন্ত উচিত॥

তোমাক বৰিবে স্বামী স্বৰূপে বুলিলো আমি
অল্পকালে পাইবা তুমি পতি।
চিন্তা এৰা মহাদেবী লভিবা আপোন স্বামী
পৰম পুৰুষ শুদ্ধমতি॥

গোসানীৰ বাণী শুনি উষায়ে মাতন্ত গুণি
মোৰ স্বামী হৈবে কতোকালে।
স্বৰূপে কহিয়ো মাৱ জুৰাওক মোৰ গাৱ
পুৰি যাবে কাম অগ্নি জ্বালে॥

তেন শুনি মহামায়া   শত গুণে ভৈল দয়া
ঊষাক বুলিলা তেন বাণী ।
স্বৰূপ কহিলোঁ কথা   নুহি মোৰ বাণী বৃথা
সুমৰি থাকিবা মনে গুণি ॥

বৈশাখ মাসত আসি   তিথি শুক্লা দ্বাদশী
সেহি নিশা দেখিবা সপোন ।
সুন্দৰ পুৰুষ আসি   আলিঙ্গিবে হাসি হাসি
তোৰ স্বামী হৈব সেহি জন ॥

চিত্ৰলেখা ৰঙ্গে পাছে   শঙ্কৰৰ গৈলা কাছে
স্তুতি নতি কৰিলা বিস্তৰ ।
তুষ্ট হুয়া শূলপাণি   বুলিলন্ত প্ৰিয় বাণী
বাঞ্ছিত লৈয়োক আবে বৰ ॥

শুনি কৰযোৰ কৰি   চিত্ৰলেখা পদে পৰি
নমি বোলে দেৱ বিশ্বেশ্বৰ ।
সুৰাসুৰ নৰ যত   আছে চৈধ্য ভুবনত
ৰূপ-গুণ জানিবো সবাৰ ॥

ৰঙ্গে বুলিলেক হৰ   দিলো তোক এহি বৰ
হৰগৌৰী ভৈল অন্তৰ্দ্ধান ।
বৰ পায়া ৰঙ্গভাৰে   দুয়ো সখী নম্ৰভাৰে
গৈলা চলি আপোনাৰ স্থান ॥

দিন যাই আলে ভালে ৰাত্রি নিদ্রা নাসে তাহে
দ্বাদশী হৈবেক কত কালে।
অকস্মাৎ মহেশ্বৰ মোহোক দিলন্ত বৰ
স্বামী নাই মোহোৰ কপালে॥

এহিমতে চৈত্র গৈল বৈশাখ আসিয়া ভৈল
দ্বাদশী তিথিৰ সমযোগে
উষা আছে শয়নত দেখিলেক সপোনত
পুৰুষেক আছন্ত সম্ভোগে॥

ঘুমটিত থাকে ভালে জাগিলেক তৎকালে
গুচয় সম্ভোগে যত ভোগ।
উষায়ে নিদ্রাত পায় স্বামী বুলি আলিঙ্গয়
ৰতিৰস কৰে সতী ভোগ॥

ৰূপে কামদেৱ সম সিংহ সম পৰাক্রম
গম্ভীৰত সাক্ষাতে সাগৰ।
তেজে দ্যুতি দিনকৰ শীতলত শশধৰ
পণ্ডিতে ভাৰ্গৱ পুৰন্দৰ॥

সপোনত কামে ধৰে শৰীৰ বিকল কৰে
ধৰিবে চাৱই আঙ্কোৱালি।
আৰ হোৱে দুইৰ আগ ধৰিবে নপাৱ লাগ
স্বামী বুলি পেড়িয়া আওচালি॥

শয্যাত বুলাবে হাত কৈক গৈল প্ৰাণনাথ
তুমি বিনে প্ৰাণ ছাড়ি যাই।
কোন্ দোষে গৈলা এৰি প্ৰভু বুলি পাৰে গে'ৰি
জাগি চিত্ৰলেখা আছে চাই।
শয্যাৰ ধৰিলা তুলি কি ভৈল কি ভৈল বুলি
চিত্ৰলেখা পুছে ধীৰে ধীৰে।
সখি মোত কহিয়োক শুনি হাসিবেক লোক
তুমি মোত কহিয়ো সুখিবে।
চেতনা লভিয়া পাছে মাতবোল এৰি আছে
নিশ্বাস কাঢ়য় ঘনে ঘনে।
ভাগৱত পদ ছবি শ্ৰীচন্দ্ৰ ভাৰতী কবি
পদ বিৰচিল সুপ্ৰসঙ্গে।
শুনিয়োক সৰ্ব্বজন হৰিপদে দিয়া মন
এৰিয়োক হৃদয়ৰ কাম।
খণ্ডোক দুৰ্গতি যত মিলোক মঙ্গল শত
ভানি ডাকি বোলা ৰাম ৰাম।

পদ ।

যেনে তেনে আলেজালে নিশা গৈল ক্ষয় ।
ৰজনী প্ৰসন্ন ভৈল সূৰ্য্যৰ উদয় ॥
উষাৰ কথাক আৰে এথানে থাকোক ।
বাণ ৰাজা যি কৰিলে তাক শুনিয়োক ॥
কৌশিকী নদীত ৰাজা কৰিলন্ত স্নান ।
হৰগৌৰী মন্দিৰক চলি গৈলা বাণ ॥
শঙ্কৰক গৈয়া দেখিলন্ত নৃপবৰ ।
ভকতি মিনতি স্তুতি কৰিলা বিস্তৰ ॥
কৃতাঞ্জলি কৰিয়া উঠিয়া নৃপবৰ ।
হৰক সম্মুখে চাই বুলিলা উত্তৰ ॥
এতকাল ভৈল মই নপাইলোঁ সমৰ ।
ধৰো কি কাৰণে মই হাজাৰেক কৰ ॥
কোনদিনা যুদ্ধ পাইবো তাক কহিয়োক ।
আছোক পুৰুষ হাসিবেক তিৰীলোক ॥
তুমি সম পুৰুষ আসোক যোক বীৰ ।
তেবে হাজাৰেক কৰ সাফল আমাৰ ॥
গৰ্ব্ববাণী শুনি তেবে কিটাইলন্ত হৰ ।
বাণক সম্বুদ্ধি পাছে দিলন্ত উত্তৰ ॥
ত্ৰৈলোক্যৰ নাথ হবে বুলিলন্ত হাসি ।
সন্নিহতে যুদ্ধ পাইবি কহিলো প্ৰকাশি ॥

যেৱে তোক দেখিলে ভাগিবে মৈৰাধ্বজ ।
তেবে যুদ্ধ পাইবি আপোনাক হুয়া সাজ ॥
হৰগৌৰী নমি পাছে চলি গৈলা বাণ ।
অ ভান্তৰে মৈৰাধ্বজ আছে যিবা স্থান ॥
ভাগি আছে মৈৰাধ্বজ দেখিলেক যাই ।
মহাৰঙ্গে গৈলা ৰাজা আপোনাৰ ঠাই ॥
সপোনে সচেতে ৰাজা তাক কৰে ধ্যান ।
লাগিল বিৰাট যুদ্ধ দেখি বিদ্যমান ॥
স্কন্দে উৰু কৰ বাহু কপোল হৃদয় ।
উলকা নির্ঘাত ধূমকেতু দৰশয় ॥
সাজে পাৰে কাড়ে প্ৰজা নাই মন সুখ ।
উষা কুমাৰীৰ কথা শুনি মন দুঃখ ॥
চিত্ৰলেখা বোলে সখি কিনো ভৈল তোৰ ।
কিবা সপোনত ভই দেখি আছ চোৰ ॥
কিবা সিংহ-বাঘে তোক লপাইলে সপোনে ।
আৰ্ত্তনাদ কৰি গেৰি পাৰ সখি কেনে ॥
কি কাৰণে শয্যাত পাৰস হাতলোৰ ।
প্ৰভু প্ৰভু চেকাৰস হাসি উঠে মোৰ ॥
তোৰ ভাৱ দেখিয়া হাসিবে সৰ্ব্বজন ।
কান্ত কৰি কহ সখি স্বৰূপ বচন ॥
উষা বোলে সখি মই দেখিলো সপোন ।
মোৰ সঙ্গে আছিল পুৰুষ একজন ॥

আজি প্ৰেমে আসি মোক আলিঙ্গি ধৰিল।
পালটি চাহন্তে মোৰ হাতন্তে ধৰিল॥
উত্তম পুৰুষ তেঁহে ৰূপে বিত্তোপন।
অভিনৱ সুন্দৰ যুৱত সুশোভন॥
শ্যামল শৰীৰ ধীৰ সাগৰ গম্ভীৰ।
নাহি খত্তিখুণ ৰূপে গুণৰ মন্দিৰ॥
গাৱে আতি পীত বস্ত্ৰ শৰীৰ উজ্জ্বল।
কোন নাৰী দেখি আনা নুহিবে বিকল॥
হেন পুৰুষক আমি পাইলো প্ৰাণসখি।
এড়ি গৈলা প্ৰভু মোক কিবা দোষ দেখি॥
হাতে পাই হেৰাইলো ইষ্ট যেন নিধি।
হৃদয়ত কুঠাৰ হানিলে কোন বিধি॥
দুৰ্ভগা নাৰীৰ জীৱনত কোন কাৰ্য।
ছাড়িবো প্ৰাণক মই যাইবো যমৰাজ॥
ধিক ধিক সখি মই জীবো কোন কাযে।
মৰিবো জীৱন ঝাম্প দিবো জল মাজে॥
মই সেই পুৰুষক নপাওঁ স্বামী কৰি।
সত্যে সত্যে মৰিবো কটাৰী ঘাস কৰি॥
এহি বুলি উষায়ে কটাৰী তুলি লৈলা।
সখিৰ আগত্তে মৰিবাক সাজ হৈলা॥
ঝাপ দিয়া চিত্ৰলেখা অস্ত্ৰ কাঢ়ি লৈলা।
বুকে লাগিয়া তাই আছাৰি পেলাইলা॥

চিত্ৰলেখা বোলে সখি শুইলে আজলী ।
সপোনত স্বামী দেখি ভৈগেলি বিকলি ॥
স্বপ্নত পাৱয় অষ্ট নিধিৰ ভাণ্ডাৰ ।
চেতন লভিলে সবে হোৱে ছাড় খাড় ॥
সপোনত পঞ্চামৃত ভুঞ্জে পেট ভৰি ।
জাগে কি পলাই ক্ষুধা জানিবা সুন্দৰী ॥
সপোনত যাই যদি দূৰ দেশান্তৰে ।
চেতন লভিলে থাকে গৃহৰ ভিতৰে ॥
স্বপ্নৰ কথাক সবে পাছ কৰি থৈয়ো ।
সব কথা এৰি সখি স্বস্থ মন হুয়ো ॥
তেন শুনি মাতে ঊষা বৰ কোপ কৰি ।
আন কথা কই মোক ভাণ্ডস সুন্দৰী ॥
সপোনত থাকে নাৰী পুৰুষৰ সঙ্গে ।
চেতন লভিলে ঐত পুৰুষে আলিঙ্গে ॥
নিগুটি বিগুটি সখি নমাতিবা মোক ।
তুমি বিদ্যমানে হেৰা যাওঁ যমলোক ॥
পুনৰপি আসি ঊষা অস্ত্ৰ তুলি লৈলা ।
সখিৰ আগতে মৰিবাক সাজ ভৈলা ॥
চিত্ৰলেখা ঊষাৰ কটাৰী লৈলা কাঢ়ি ।
ভাল নোহে বুলি তাই পেলাইলে আছাৰি ।
পাছে চিত্ৰলেখা হেন বুলিলা বচন ।
যতেক পুৰুষ আছে চৈধ্যয় ভুবন ॥

শুন হোক্ত কহোঁ মই স্বৰূপ বচন।
বেকট কৰিবা পাটে লেখিবো এখন ॥
কাহাক দেখিলি স্বপ্নে চাহি কৰ তত্ত্ব।
আনি দিবো তাক স্বৰ্গ মৰ্ত্ত্য পাতালত ॥
দেৱতা অসুৰ যক্ষ ৰাক্ষস কিন্নৰ।
সবাকো লেখিয়া দিবো তোহোৰ গোচৰ ॥
ইহাৰ ভিতৰে তুই চাহি কৰ সাৰ।
দেখিলে চিনায় দিবি স্বামী আপোনাৰ ॥
এহি বুলি চিত্ৰলেখা অঙ্গীকাৰ কৰি।
লেখিবে লাগিলা মূৰ্ত্তি তুলি-কাপ ধৰি ॥
প্ৰথমতে চিত্ৰলেখা ব্ৰহ্মাক লেখিলা।
গৌৰবৰ্ণ চাৰি মুখ অষ্ট ভুজ দিলা ॥
কৰে কমণ্ডলু দণ্ড ৰাজহংস যান।
জপন্ত পৰম জপমালা বিদ্যমান ॥
বিষ্ণুক লেখিলা নীলবৰ্ণ কলেৱৰ।
শঙ্খ চক্ৰ গদা পদ্ম চাৰি অস্ত্ৰধৰ ॥
গলত কৌস্তুভ পীতবস্ত্ৰ পৰিধান।
ত্ৰিজগত গুৰু তান গৰুড় বাহন ॥
হৰক লেখিলা মহা বৃষভৰ যানে।
ত্ৰিশূল ডম্বৰু ব্যাঘ্ৰচৰ্ম্ম পৰিধানে ॥
ললাটত শশী জ্বলে শুক্ল সুশীতল।
পঞ্চবক্ত্ৰ ত্ৰিনয়ন শিৰে গঙ্গাজল ॥

ঐরাবত স্কন্ধে লেখিলা পুরন্দর
উচ্চৈঃশ্রবা ঘোটকত জয়ন্ত কুমার ॥
মূষিকর কান্ধে লেখিলেক গণপতি।
কার্ত্তিকক লেখিলা ময়ূর যানে গতি ॥
অগ্নিক লেখিলা তাই ছাগলর স্কন্ধে।
মহিষর কান্ধে যম লেখিলা প্রবন্ধে ॥
মগরত বরুণ লেখিলা বহু থানে।
বায়ুক লেখিলা তাই মৃগর বাহনে ॥
কুবের লেখিলা তাই মানুষর কান্ধে।
সপত ঘোটকে সূর্য্য লেখিলা প্রবন্ধে ॥
শশা কান্ধে চন্দ্রক লেখিলা ভাল করি।
ত্রিদশ দেবক তাই লেখিলে সুন্দরী ॥
যার যেন রূপ গুণ যার যেন স্থান।
যে দেবর যিবা আসি চোবর বাহন ॥
বাক্ত করি চিত্রতে লেখিলা চিত্রলেখা।
প্রত্যেক করিয়া তাক সেহি থানে দেখা ॥
উষার আগত দেখাইলন্ত চিত্রলেখা।
ত্রিদশ দেবক সখি ভালমতে দেখা ॥
ত্রিদশর মাজে তোর স্বামী আছে নাই।
স্বরূপ করিয়া কহ চিত্রপট চাই ॥
ত্রিদশর মাজে স্বামী বাঞ্ছা কর যাক।
তই মাত্র কহ মই আনি দিওঁ তাক ॥

তেন শুনি ঊষা পাছে চিত্ৰপট চাই।
সখিক বুলিলা আত মোৰ স্বামী নাই॥
তেন শুনি চিত্ৰলেখা ঊষাৰ উত্তৰ।
পাছে লেখিলেক তাই গন্ধৰ্ব্ব কিন্নৰ॥
দেৱ ঋষি সকলক লেখিল সুন্দৰী।
ঊষাক দেখাইল নিয়া কুভাণ্ড কুমাৰী॥
কতো বেলি ঊষা পাছে চিত্ৰপট চাই।
নিশ্চয়ে বুলিলা আত মোৰ স্বামী নাই॥
তেন শুনি চিত্ৰলেখা কৰে কাপ ধৰি।
আন পট লেখিলেক কুভাণ্ড কুমাৰী॥
পাতালত সৰ্পগণ আছে যত যত।
তাৰ তাৰে চিত্ৰলেখা কৰিল বেকত॥
অনন্ত বাসুকি ধৃতৰাষ্ট্ৰ কৰ্কোটক।
কুহক কুলিক পুণ্ডৰীক যে তক্ষক॥
দেৱতো অধিক নাগ ৰূপ আতিশয়।
সবাৰো শিৰত ৰত্ন মুকুট জ্বলয়॥
কাল মুখ কাল জিহ্বা আৰু কাল গল।
শ্বেত পীত নাগ ৰক্ত লেখিল সকল॥
লেখিলেক নাগগণ শাৰী শাৰী কৰি।
ঊষাক দেখাইলা নিয়া কুভাণ্ড কুমাৰী॥
কতো বেলি ঊষা পাছে চাহি চিত্ৰপট।
আত মোৰ স্বামী নাই কহিলো প্ৰকট॥

হেন শুনি চিত্ৰলেখা ঊষাৰ উত্তৰ।
পাছে লেখিলেক পৃথিবীৰ যত নৰ॥
সূৰ্য্যবংশে যত যত আছিল নৃপতি।
সাক্ষ কৰি পটতে লেখিলা মহাসতী॥
চন্দ্ৰবংশ লেখি যেবে আভাইল সুন্দৰী।
যদুবংশ লেখিলেক গুৰুক সুমৰি॥
বসুদেৱ সুত কৃষ্ণ লেখিলেক পাছে।
অল্প অল্প লাজ কৰি ঊষা বসি আছে॥
পাছে কামদেৱক লেখিলা কৃষ্ণ পাশে।
মাথে বস্ত্ৰ দিয়া লাজে বচন নভাষে॥
অনিৰুদ্ধ কুমৰক লেখিলেক যেবে।
মাত বোল এৰি ঊষা চাহি আছে তেবে॥
স্বপ্নত দেখিলো যাক মোৰ স্বামী এই।
হাঁসো হাঁসো কৰে মুখ সখি চিন তই॥
কুমৰক দেখি ঊষা ভৈলেক বিকলি।
পৰিবাক চাহে চিত্ৰপটৰ পুতলি॥
দেখিলেক চিত্ৰলেখা ঊষাৰ স্বভাৱ।
আঁৰ কৰি চিত্ৰপট থৈলা সেহি ঠাৱ॥
কুমৰক নেদেখিয়া হৰিল গিয়ান।
মূৰ্চ্ছা গৈয়া কুমাৰী পৰিল সেহি থান॥
হেন দেখি চিত্ৰলেখা গৈলা লাসে লাসে।
ধীৰে ধীৰে বিজিলন্ত চামৰ বাতাসে॥

কতোবেলি উষা পাছে চেতন লভিল।
কোলে কৰি আশ্বাসিয়া সাবটি ধৰিল॥
দেখায়া প্ৰভুক মোৰ তুমি নিলা কাঢ়ি।
তোমাৰ আগত আজি প্ৰাণ যাইবো ছাড়ি॥
চিত্ৰলেখা বোলে সখি চিন্তা এৰিয়োক।
সপোনৰ স্বামী মই আনি দিবো তোক॥
উষায়ে বোলন্ত সখি উঠিয়ো সকাল।
যেবে তুমি যাইবা সখি চলিয়ো একাল॥
মোৰ প্ৰাণ স্বামী তুমি আনি দিবা যেবে।
দাসো হুয়া তোমাৰ চিন্তিবো গুণ তেবে॥
হেন শুনি চিত্ৰলেখা দিলন্ত উত্তৰ।
তোৰ কথা শুনন্তে মোহোৰ লাগে ডৰ॥
দ্বাৰকা নগৰী ছয় মাসেকৰ পথ।
কালি পুৱা তোৰ স্বামী দিবো কেন মত॥
বিশেষত তোৰ স্বামী গোবিন্দৰ নাতি।
যাক ৰক্ষা কৰি থাকে বীৰগণে ৰাতি॥
বিনা যুদ্ধে জিনি তাক কোনে আনিবেক।
কালি পুৱা কেন সখি থাক্তি দেহ মোক॥
আঠ দিবসক মোক দিয়োক মেলানি।
তেবেসে তোহোৰ স্বামী দিব পাৰো আনি॥
মোহোৰ শকতি নাহি কালি পুৱা দিতে।
তোমাৰ আগত মই কহিলো উচিতে॥

হেন শুনি বোলে উষা সখি হাতে ধৰি।
তোক আঠ দিন চলি যায়োক সুন্দৰী॥
আঠ দিন বাজে স্বামী নানস আমাৰ।
তেবে মোৰ প্ৰাণ যাইবে কৈলো সাৰেসাৰ॥
চিত্ৰলেখা বোলে সখি চিন্তা এৰি থাক।
কুমৰ হৰিবে মই যাওঁ দ্বাৰকাক॥
এহি বুলি চিত্ৰলেখা গৈল ঘোড়াশাল।
বাচিয়া লৈলেক ঘোড়া আতি ভাল ভাল॥
শ্বেত শ্যামবৰ্ণ ঘোড়া বায়ু নোযোৰাই।
কান্ধত জুৰলি নিয়া বান্ধিলে বঢ়াই॥
কালধ্বজ গোটি তাত দেখন্তে সুন্দৰ।
কাল চামৰে মণ্ডিত ৰথৰ উপৰ॥
ঘোড়াৰ উপৰে দিলা সুৰ্বণ দাপণি।
গলত ঘুগুৰা দিলা বাজে কণ ঝুণি॥
পাৱে ক্ষুদ্ৰঘণ্টা দিলা বাজয় বিশেষ।
সাজি আনিলেক ৰথ দেখন্তে সুবেশ॥
আপুনিয়ো সাজ ভৈল মাউতৰ থান।
কাল টুপী কাল বস্ত্ৰ গাৱে পৰিধান॥
উপৰক তুলি তাই বান্ধিলেক খোপা।
পিঠিত হালয় মাণিকৰ এক থোপা॥
কপালত আতি ভাল তিলক পিন্ধিল।
গন্ধৰ নিকৰ পিসি আগৰত দিল॥

থাৰে ৰৈলা গজমতি হাৰে ফুলে জেঠি।
দশো আঙ্গুলিত ঝাম্পি সোণাৰ আঙ্গুঠি॥
বিচিত্র বসনে গাৰ মণ্ডিলেক তাই।
শুভক্ষণে যাত্রা কৰি উল্কক উড়াই॥
নগৰ মৃগত তাই লগাইলেক জীৱ।
কৰ্ণত জ্বলয় বহু কুণ্ডল ৰুচিৰ॥
ডগমগ কৰি আতি মণ্ডিল শৰীৰ।
ৰূপ দেখি যুৱতীৰ মন নাহে স্থিৰ॥
নক্তাময় ৰূপ তাইৰ থাকে চাই চাই।
চন্দ্র সূৰ্য্য ৰহি থাকে আকাশে জুড়াই॥
ঊষা বোলে সখি তোৰ বুজিলো চাকলি।
আগে শাস খাই পাছে দিবিতি বাকলি॥
তুমিয়ো যুবতী মোৰ স্বামীয়ো যুৱক।
এক থান হৈলে কাম সহিবা কিমত॥
হেন শুনি চিত্রলেখা দিলা সন্নিধান।
ভূমি চুই বিষ্ণু স্মৰি পৰশিলা কাণ॥
অতমান সখি কত নুবুজিৰি পাপ।
তোহোৰ স্বামী সে মোৰ সুতাগু সে বাস॥
ঊষা বোলে সখি চলি যায়োক সত্বৰ।
দেখায়োক স্বামী আঠ দিনৰ ভিতৰ॥
ঊষা বোলে পথে একো নোহোক বিঘিনি।
অব্যাহতে আনা গৈয়া শত্রু সেনা জিনি॥

যাত্রা করি চিত্রলেখা রথে উড়ি যায়।
ডাকিলেক রথ গেল আকাশে উড়াই॥
চাবুকে ডাকিয়া ঘোড়া উড়াইলেক যত।
আকাশে উড়াইল গরুড়ের যেন মত॥
আকাশত দেখি যেন কাল মেঘ ঘন।
রথ-ঘূড়-শব্দ শুনি মেঘর গর্জ্জন॥
বিজুলী ছটকে যেন বেগে যাই রথ।
দণ্ডেকে অটাইল তিনি মাসেকর পথ॥
মহারঙ্গে চিত্রলেখা আকাশক যাই।
নিমিষেকে লাগিল স্বর্গপথ পাই॥
প্রথমতে দেখিলেক এক মহা নদী।
সাগর সমান আছে বিন্ধ্যাচল ভেদি॥
পরিপূর্ণ নির্ম্মল ধবল যার নীর।
রখাইলেক রথখান নর্ম্মদার তীর॥
প্রথমতে ঘোড়াক করাইলা জল পান।
পাছে চিত্রলেখা করে বিধিমতে স্নান
দেব পিতৃ তুষিলেক নর্ম্মদার জলে।
নানা পুষ্প কুসুম তুলিল কৌতূহলে॥
জলপুষ্প থলপুষ্প তুলিল সকলে।
ইষ্টদেব হরক পূজিলা কৌতূহলে॥
চিত্রলেখা নিত্যকর্ম্ম করি অবসান।
উদর ভরিয়া করিলেক জল পান॥

ভোজন সম্ভাৰ যিবা আনি আছে লগে।
ভোজন কৰিয়া উঠিলেক সেই বেগে॥
ৰথ ডাকিবাক চিত্ৰলেখা ভৈলা সাজ।
আগে উপসন্ন যে নাৰদ মুনিৰাজ॥
কৃষ্ণসাৰ চৰ্ম্ম কটি মধ্যত যে সাজে।
অক্ষসূত্ৰ কমণ্ডলু হাতত বিৰাজে॥
নাৰদক দেখি অতি চমকিত মনে।
ডেৱ দিয়া ৰথৰ নামিলা তেতিক্ষণে॥
ভূমিশিৰে প্ৰণামিলা নাৰদৰ পাৱে।
ঋষিক দেখিয়ে ভৈলা আনন্দিত ভাৱে।
মহাতীৰ্থ স্নানিবাৰ পাইলো যত ফল॥
তাতো দশ গুণ প্ৰভু পাইলো কৌতূহল।
জানিলোহো মোহোৰ কাৰ্য্যৰ ভৈব সিদ্ধ॥
এবেসে জানিলো সুপ্ৰসন্ন ভৈল বিধি।
ব্ৰহ্মাৰ তনয় তুমি দেৱ মহাবল।
কি কাৰ্য্যে আসিলা প্ৰভু কহিয়ো সকল॥
নৰদ বদতি শুনা শুনা চিত্ৰলেখি।
আন কাৰ্য্য নাই তোক আসিলোহো দেখি॥
তোৰ ভাৱ দেখি মোৰ চিত্ত হৰষিত।
পুছিবাক আসিলো তোহোৰ সন্নিহিত॥
বীৰ কাছে কাছিয়া যুদ্ধৰ ভাৱে সাজি।
মোত কহ সুন্দৰী কহিক যাহ আজি॥

শুনা সাধুজন সবে ভাগবত পদ।
সকল দুর্গতি খণ্ডি মিলিবে সম্পদ॥
কৃষ্ণর চরণ-পদ্ম হৃদয়ত ধরি।
শ্রীচন্দ্রভারতি ভণে বোলা হরি হরি॥

দুলড়ী

ঋষির বচন, শুনি তেতিক্ষণ,
চিত্রলেখা বোলে বাণী।
কহো মোর কায, শুনা মুনিরাজ,
স্বরূপ মোর কাহিনী॥
বাণর কুমারী, সর্ব্বাঙ্গে সুন্দরী,
ঊষা নামে মোর সখী।
গোবিন্দর নাতি, স্বপ্নে পাযা রাতি,
বিকল ভৈলন্ত দেখি॥
চেতন লভিয়া, তাহাক নপায়া,
সখী নিজীবয় প্রাণে।
সেহিসে কারণে, কুমর-হরণে,
আসিছো দ্বারকা থানে॥

দ্বাৰকাক যাই, কুমৰক পাই
আনিবো বাণৰ ৰাজ্য।
জীয়াইবো উষাক, আনিবো তাহাক
কহিলো মোহোৰ কাৰ্য্য॥
নাৰদ বদতি, শুনা মহামতি,
কুম্ভাণ্ড মন্ত্ৰীৰ জীউ।
সাগৰ ভৰিবি, কুমৰ হৰিবি,
তোৰ এতমান ভিউ॥
হেৰা চিত্ৰলেখি, মই আইলো দেখি,
কুমৰক সেহি ৰাজ্যে
যাক বীৰগণে, ৰাখে সৰ্ব্বক্ষণে,
লোহাৰ গড়ৰ মাজে॥
পূৰ্ব্বে হনুমন্তে, সসৈন্যে ৰাখন্ত,
পশ্চিমে গৰুড় পক্ষী।
দক্ষিণত ৰাম, উত্তৰত শ্যাম,
সততে থাকন্ত ৰাখি॥
আপুনি গোবিন্দ এড়িলন্ত নিন্দ,
ৰাত্ৰি দিন সম কৰি।
গড়ৰ চৌপাশে, ফুৰি অহৰ্নিশে
আপুনি ৰাখন্ত হৰি॥
দ্বাৰকা নগৰী, গোবিন্দৰ পুৰী,
দেখন্তে লাগয় ত্ৰাস।

ঘৰে বান্ধে আতি দেৱে পদাতি
কোনে লঙ্ঘিবেক পাশ ॥
হেন শুনি তাই মাতিল চুনাই
শুনিয়োক মুনিবৰ।
সাগৰ তৰিবো কুমৰ হৰিবো
মায়া জানো বহুতৰ ॥
যাইবো মায়া কৰি বিষ্ণুৰ নগৰী
কেহেঁা নিচিনিবে মোক।
সকল কাৰ্য্যত আপুনি পাৰ্গত
অল্প নেদেখিবা মোক ॥
তাইৰ বাণী শুনি মাতিলন্ত মুনি
হাঁসি হাঁসি মুখ চাই।
কত মোৰ থান গহ এত মান
কহিয়ো মোত বুজাই ॥
কুমৰক যাই তই লাগ পাই
হৰিবি কোন উপাই।
মোত বিদ্যমানে দেখায়ো আপোনে
মায়া জান কত তই ॥
শুনি মুনি বাক মায়া কৰিবাক
প্ৰথমতে ছোট ভৈল।
এড়ি ছোট মায়া ধৰি পক্ষী কায়া
গগণে গৈয়া উঠিল ॥

পক্ষী কায়া এড়ি আকাশক উঁড়ি
ভৈল ঘোৰ মেঘগণ ।
কৰয় গৰ্জ্জন বিদ্যুত্ত সঘন
বৰিষয় ৰৰ টান ॥
মেঘ হুয়া এৰি অগ্নি ৰূপ ধৰি
পৃথিবীক লাগি আইল ।
যেন বৈশ্বানৰ মহা ভয়ঙ্কৰ
গগণ গৈয়া উধাইল ॥
পাছে চিত্ৰলেখি তাহাৰ উপেখি
ভৈল তাই বাঘ গোট ।
বাঘ পৰিহৰি সিংহ ৰূপ ধৰি
কৰয় ৰৰ আস্ফোট ॥
এড়ি সিংহ মায়া কুম্ভাণ্ড তনয়া
ধৰিলন্ত সৰ্প কায়া ।
সৰ্প পৰিহৰি আতি ৰঙ্গ কৰি
ধৰিলেক নেউল মায়া ॥
নেউল মায়া তাই এড়ি সেই ঠাই
বিড়ালী ভৈলা বিশেষ ।
মায়াৰ আকাৰ কৰি পৰিহাৰ
ধৰিল গণক বেশ ॥
কৰে পাজি ধৰি পঢ়ে ৰঙ্গ কৰি
শুনান্ত মনত ৰঙ্গ ।

গণকৰ ভাৱ, এড়ি সেই ঠাৱ,
ব্ৰাহ্মণ ভৈল গৌৰাঙ্গ ॥
পঢ়ে চাৰি বেদ, কৰি অবিচ্ছেদ,
জানি স্বৰে তুলি ৰাৱ।
মূল মন্ত্ৰ জানি, ফুৰন্ত বখানি,
যেন কোকিলৰ ৰাৱ ॥
ব্ৰাহ্মণৰ ভাৱ, এড়ি সেই ঠাৱ,
আনো জানে যত মায়া।
ঋষিৰ আগত, দেখাইল সমস্ত,
পাছে ভৈল নিজ কায়া ॥
নাৰদৰ পাৱে নমি সেই ঠাৱে
বুলিলন্ত বৰ নাৰী।
ইসব মায়াত, গৈয়া দ্বাৰকাত,
হৰিবে পাৰি নোৱাৰি ॥
তাইৰ বাণী শুনি, মাতিলন্ত মুনি,
হৰিষে দিলা উত্তৰ।
তোৰ মায়া যত, মোৰ হৃদয়ত,
একো নোহে সাৰতৰ ॥
ইসব মায়াত, তুই দ্বাৰকাত,
নোৱাৰিবি হৰিবাক।
কহ সত্য বাণী, জানি কি নাজানি,
হৰণ লুকো মায়াক ॥

হৰণ লুকিতে, কুমৰ হৰিতে,
পাৰিলি দ্বাৰকা যাই।
যদি নজানস, কিসক চলস,
পাকটি যাওঁ তুনাই॥
ঈশ্বৰ বচন, শুনি সেইক্ষণ,
চিত্ৰলেখা বোলে বাক।
আছোক জানিবা, কৰ্ণে নউ শুনো,
হৰণ লুকী নাজাক॥
তোমাৰ বচন শুনি মোৰ মন,
দহয় হৃদয় ভেদি।
সখিৰ মৰণ, ভৈল উপসন,
হৰি হৰি কিনো বিধি॥
সখিৰ আগত, কৰি আইলো সত্য,
বুলিলো দৃঢ় বচন।
আউৰ কোন লাজে, সখিৰ সমাজে,
হইবো গৈয়া উপসন্ন॥
চৰণে পৰিয়া, কাকুতি কৰিয়া,
তোমাক বোলো গোসাই।
শোণিত পুৰত, হয়া উপগত,
বাৰ্ত্তা দিয়া সমুদাই।
কহিবা সখিক, কুমৰ হৰিতে,
নোৱাৰিলে চিত্ৰলেখি॥

সেহি অপমানে, মোৰ বিদ্যমানে,
মৰিল প্ৰাণ উপেখি ॥
নৰ্ম্মদাৰ তীৰ এৰিলা শৰীৰ,
তোমাৰ বুদ্ধি অভাৱ ।
নকৰাইলো সুখ, নেদেখিলো মুখ,
হৰি হৰি উষা মায় ॥
এহিমতে শুনি, কাষ্ঠচয় আনি,
অগনি জ্বালিলা তাই ।
অগনি উঠিল, গগন ব্যাপিল,
দেৱ ঋষি আছে চাই ॥
শিৱৰ চৰণে, নমি চিত্ৰা মনে,
মৰিবাক ভৈলা সাজ ।
তিৰীৰ সাহস, জানো কৰে নাশ,
হাক দিলা মুনিৰাজ ॥
নমৰিবি তই, মায়া কৰো মই,
শুনিয়ো মোৰ বচন ।
ভাদ্ৰৰ মাসত, চতুৰ্থী নিশাত,
লাগিব চন্দ্ৰ গ্ৰহণ ॥
ওৰা চিত্ৰলেখি, খঞ্জুৰিটি পক্ষী,
আকাশে যাইবেক উড়ি ।
তেতিয়া ধৰিয়া, পটাত বাটিয়া,
সাজিবি তাহাৰ বড়ি ॥

কৰত মন্দিয়া, শুকক স্মৰিয়া,
কপালত দিবি ফোট ॥
আতি ক্ষুদ্ৰতৰ কায় কলেৱৰ,
হুইবি মধুকৰী গোট ॥
যাইবি নিশাকালে কুম্ভাণ্ডৰ জালে,
পশিবি গৃহ ভিতৰ।
কুমৰক পাইবি, তিলক পিন্ধাইবি,
কুমৰ হুইবে ভ্ৰমৰ ॥
পিঠি ভাগে লৈয়া, উড়াৱ কৰিয়া
কুম্ভাণ্ড জালে বজায়া।
ৰথত চড়িয়া, ফোট মলচিয়া,
পাছে হুইবি নিজ কায়া ॥
স্তোত সমুদায়, কহিলো উপায়
হৰণ লুকী মায়াক।
এহি মায়া বাজে, নযাইবি সি বাজ্যে,
পালটি ডকা ৰথক ॥
দুৰ্ভাগ্য ৰথত, ভাদ্ৰৰ মাসত,
চন্দ্ৰ গ্ৰহণৰ কাল।
পক্ষীক বিচাৰি, নপাইলে সুন্দৰী,
সকল হুইবে নিষ্ফল ॥

পদ ।

নাৰদৰ বচন শুনিলা সেহি খান ।
মহাৰঙ্গে চিত্ৰলেখা দিলা সমিধান ॥
দেখিয়োক গুৰু মোৰ মায়াৰ প্ৰভাৱ ।
চৰণ লুকীৰ বস্ত্ৰ সাজোঁ। এহি ঠাৱ ॥
চিত্ৰলেখা ঈশ্বৰক প্ৰণামিলা মনে ।
বিপৰীত মায়া কৰিলন্ত তেতিক্ষণে ॥
বৈশাখ জৈষ্ঠ আষাঢ শাওণ বহি গৈল ।
দণ্ডেকৰ ভিতৰত ভাদ্ৰ আসি ভৈল ॥
কৃষ্ণভাগ নিশাত চন্দ্ৰ আছন্ত প্ৰকাশি ।
লাগিল গ্ৰহণ ৰাহু গ্ৰাসিলেক আসি ॥
সেই বেলা উড়ি যাই খঞ্জৰীট পক্ষী ।
তাক জাম্প দিয়া ধৰিলেক চিত্ৰলেখি ॥
পটাত পিসিয়া বড়ি সাজিলেক তাই ।
মনত বিস্ময়ে ঋষিৰাজে আছে চাই ॥
কৰত মৰ্দ্দিয়া কপালত দিয়া ফোট ।
তেতিক্ষণে ভৈল তাই মধুকৰী গোট ॥
উড়ায় কৰিয়া তাই কতো দূৰে গৈল ।
নাৰদৰ আগে আসি উপসন্ন ভৈল ॥
ফোট মলচিয়া তাই নিজ ৰূপ ধৰি ।
নাৰদৰ চৰণত নমস্কাৰ কৰি ॥

তোমার প্রসাদে গুরু সাধো সবে কায।
নির্ভয়ে চলোহো গোবিন্দর নিজ রাজ ॥
এহি বুলি চিত্রলেখা রথে চড়ি যাই।
ডাকিলেক রথ গৈল আকাশে উড়াই ॥
নারদো গৈলন্ত পাছে শীঘ্র বেগ করি।
তাইতো আগে পাইল গৈয়া দ্বারকা নগরী ॥
কৃষ্ণর আগন্ত গৈয়া ভৈল উপসন্ন।
পাদ্য অর্ঘ্য কৃষ্ণে তান নমিলা চরণ ॥
করযোর করি হরি পুছিলন্ত কাজ।
কহিয়োক মুনিরাজ সাধো কোন কাজ ॥
নারদ বদন্তি প্রভু এক বার্ত্তা পাইলো।
সেহি কথা কহিবাক তযু পাশে আইলো ॥
তোমার ঘরত চোর পশিবেক রাতি।
আন কিছু নহরিবে হরিবেক নাতি ॥
অনিরুদ্ধ কুমরক নিব চুরি করি।
যথা তথা প্রকারে রাখিয়ো দেব হরি ॥
এহি কথা কহি চলি গৈলা মুনিরাজ।
উসমিস লাগি গৈল কৃষ্ণর সমাজ ॥
প্রবন্ধে সজাইলা প্রভু লৌহময় ঘর।
কুমরক থৈল নিয়া তাহার ভিতর ॥
উর্দ্ধে অধে একোভিতি নাথাকে উশাস।
কুদ্রাক্ষর জালে রজাই উশাস নিশ্বাস ॥

বর বর বীরগণ দিলন্ত প্রহরী।
সজাগরে থাকে সবে অস্ত্রশস্ত্র ধরি॥
পূর্ব্ব দিকে হনুমন্ত বীর আছে রাখি।
পশ্চিমত রাখন্ত গরুড় মহাপক্ষী॥
দক্ষিণত বলভদ্র উত্তরত সাম।
চৌদিকে রাখন্ত হরি নাহিকে বিশ্রাম॥
এহিমতে কুমরক সবে আছে রাখি।
সন্ধ্যাকালে সেহি রাজ্য পাইলা চিত্রলেখি॥
আকাশত নিয়া তাই রাখিলেক রথ।
দ্বারকা নগর রঙ্গে চাহিলা সমস্ত॥
স্বর্গতো অধিক দশগুণে প্রকাশয়।
নগর চাহন্তে চক্ষু চমৎকার লাগয়॥
নানাবিধ রঙ্গ দেখিলেক ঠাই ঠাই।
সম্প্রতিক নিশার প্রহর দুই যাই॥
চিত্রলেখা রথ খান রখাইল তহিতে।
নারদক সুমরিয়া বড়ী হৈলা হাতে॥
করত মন্দিয়া কপালত দিলে ফোট।
ততিক্ষণে হৈল তাই মধুকরী গোট॥
উড়ায় করিয়া পড়িলেক সেহি ঘরে।
কুম্ভাক্ষর জালে তাই পশিলা ভিতরে॥
অনিরুদ্ধ কুমরক দেখিলে সুন্দরী।
রত্নময় শয্যাত আছন্ত নিদ্রা করি॥

কোট মলচিয়া তাই নিজ রূপ ভৈল।
মহাবজ মনে কুমরর পাশে গৈল ॥
ধীরে ধীরে চিত্রলেখা লগাইলেক মাত।
জাগা জাগা প্রভু বুলি পাবে দিলা হাত ॥
অনঙ্গরে অনিরুদ্ধে লভিলা চেতন।
জাগি দেখিলেক চিত্রলেখার বদন ॥
পুর্ণিমার শশী সম বদন প্রকাশে।
মদনে পীড়িত হুয়া চাপিলেক পাশে ॥
আসা আসা প্রাণেশ্বরী চিন্তা মনে ময়।
ঘোর কামানলে মোর শরীর দহয় ॥
মৃণাল সদৃশ ভুজে আলিঙ্গিয়ো মোক ॥
অধর অমৃতে কামানল যুড়ায়োক ॥
করযোড়ে চিত্রলেখা দিলা সম্বিধান।
রতি উপযোগ্য প্রভু নোহে ইটো থান ॥
ইঠারত প্রভু যদি দেখয় আমাক।
তুমি লঘু হুইবা মোরো যাইব কাণ নাক ॥
ইঠাইত প্রভু মই কৃষ্ণক ডরাও।
যদি দয়া আছে আসা দূরক পলাও ॥
কুমর বোলয় এরা শুনিয়ো যুবতী।
পলাইবার মোর আরু নাহিকে শকতি ॥
চতুর্ভিতি রক্ষা করি আছে সর্ব্বলোক।
কেন মতে পলাইবোহো কথা কহ মোক ॥

চিত্ৰলেখা বোলে প্ৰভু মোহোৰ সঙ্গতে ।
যেনমতে আনি আছো নিবো সেহি মতে ॥
ভয় নকৰিয়া প্ৰভু থাকিয়োক চায়া ।
কেহো নেদেখিবে হেন কৰিবোহো মায়া ॥
কুমৰে বোলয় বিলম্বত নাহি কায ।
আথে বেথে সুন্দৰী গৃহৰ কৰা বাজ ॥
যথাকে তোমাৰ মন নিয়ো সেহি থান ।
তোত পৰে মোহোৰ সুহৃদ নাহি আন ॥
হেন শুনি চিত্ৰলেখা ভৈল ৰঙ্গমন ।
কৰত ঔষধি লৈয়া মদ্দিল তেখন ॥
দুইৰো কপালত ফোট দিলা ৰঙ্গ কৰি ।
তেতিক্ষণে ভৈলা দুয়ো ভ্ৰমৰ ভ্ৰমৰী ॥
পিঠিভাগে তাই কুমৰক তুলি লৈলা ।
কুম্ভাণ্ডৰ আগে দুয়ো বাজ হুয়া গৈলা ॥
ঊৰ্দ্ধমুখ কৰি উৰিলেক ৰথ খান ।
গগণে উঠিল যেন দেৱৰ বিমান ॥
চিত্ৰলেখা দুইৰো ফোট মলচিলা কৰে ।
নিজ ৰূপ ভৈলা দুয়ো ৰথৰ উপৰে ॥
নজানিল কেন মতে নিল চুৰি কৰি ।
এহিমতে ডাক দিয়া যাত্তিলা সুন্দৰী ॥
চিত্ৰলেখা গোবিন্দক লগাইলেক মাত ।
প্ৰণামো চৰণে যদুপতি জগন্নাথ ॥

তোমাৰ নাতিক ছবি নিয়ে চিত্ৰলেখি।
শূন্য গৃহ খান আৰে থাকিয়োক ৰাখি॥
তথাপিতো চিন্তা নকৰিবা চক্ৰপাণি।
বিহা কৰাই তোমাৰ নাতিক দিবো আনি॥
এহি বুলি চিত্ৰলেখা ৰথে উঠি যাই।
ভাঙিলেক ৰথ গৈল আকাশে উড়াই॥
দ্বাৰকা নগৰে লাগিলেক উসমিস।
কোনে নিলে নাতি একো নপাইলে উদেশ॥
হাহাকাৰ কৰে সবে দ্বাৰকাৰ লোকে।
কামদেৱে বিলাপ কৰন্ত পুত্ৰ শোকে॥
গোবিন্দ বোলন্ত সবে এৰা মন কষ্ট।
মোহোৰ নাতিৰ একো থানে নাই নষ্ট॥
ৰূপে গুণে বলে বীৰ্য্যে মোহোৰ সমান।
কোনে কি কৰিবে পাৰে নিউক যথাস্থান॥
ভূত ভবিষ্যত প্ৰভু জানন্ত সকলে।
শোক দুঃখ সবাৰো গুচাইলা বাক্যবলে॥
কৃষ্ণৰ বচনে শোক এড়িলন্ত মনে।
বিষাদ নকৰি থাকিলন্ত সৰ্ব্বজনে॥
যেবে চিত্ৰলেখা কুমৰক লৈয়া যাই।
বুলিলন্ত অনিৰুদ্ধে তাইৰ মুখ চাই॥
সত্বৰে সুন্দৰী মোক দিয়া আলিঙ্গন।
তোমাৰ অন্তৰে মোক দহয় মদন॥

এহি বুলি অনিৰুদ্ধে চাপিলন্ত পাশে ।
কৰযোড়ে বোলে তাই মনত ত্ৰাসে ॥
সেৱকিনী বুলি তুমি জানিয়োক মোক ।
খুজো খাই নষ্ট কৰা অমৃতৰ ভোগ ॥
উষা নামে সখী আছে তযু প্ৰিয়া নাৰী
সৰ্ব্বাঙ্গ সুন্দৰী তেহো মই কোন চাৰী ॥
দণ্ডী কৰি সখী যাতো পঠাইল আমাক ।
সিকাৰণে আইলো প্ৰভু তোমাক নিবাক ॥
একে সম্বন্ধত সখা আক মই দাসী ।
মোহোৰ পাশক প্ৰভু তুমি কেনে আসি ॥
আপুনি পণ্ডিত তুমি পূৰ্ব্বাপৰ জানি ।
ক্ষমা কৰিয়োক প্ৰভু শাস্ত্ৰৰ কাহিনী ॥
দাসী বধু জাউ সখী শৰণীয়া নাৰী ।
ৰাজ ভাৰ্য্যা গুৰুপত্নী চাণ্ডালী কুমাৰী ॥
আসবাক চুইলে মাতৃ গমনৰ পাপ ।
হেন জানি মোক ক্ষমা কৰিয়োক বাপ ॥
গুৱামালী পিন্ধে কোনে মালতীক পাই ।
অমৃতক এড়ি কোনে খাৰ পানী খাই ॥
তোমাৰ আগত প্ৰভু মই গাওঁ গীত ।
তাক শুনি প্ৰভু তুমি ধৰিয়োক চিত ॥
ৰাগ গীত জানিবাহা সংসাৰতে সাৰ ।
জানিবা জানিবা তাক কৰিয়া বিচাৰ ॥

এহি বুলি চিত্ৰলেখা যুড়িলেক ৰাগ।
আতি সুললিত কৰি গাৱে ভাগে ভাগ॥
তাৰ ঘোৰ মন্ত্ৰ আদি গাৱে বহুতাৰ।
মনক মোহয় যেন কোকিলৰ ৰাৱ॥
মালৱত ৰাগ মালৈ কাবোক কৰ্ণাড়।
কৰ্ণটি সুৰাগ সুহাই মলৰী মল্লাৰ॥
ললিত বিভাগ মঞ্জুই ভৰবী মল্লাড়ী।
ৰামকিৰী ধনশিৰী ভুপালী বড়াৰী॥
ভাৰৰী মঞ্জুৰী যোগন্ধাৰ ক্ৰৌঙ্ককিৰী।
মহানাট গৌৰী খাট কেদাৰ হাজিৰী॥
মাধৰী বসন্ত দেৱকিৰী ইন্দ্ৰকিৰী।
হিন্দোলা হিন্দোলী হাৰা আকাশ গুঞ্জৰী॥
কুমৰক যুড়ি তাই গাৱে নানা গীত।
তাক শুনি কুমৰৰ পালটিল চিত্ত॥
কামিনীক পিঠি দিয়া আছে গীত শুনি।
ধ্যান কৰি আছে যেন মহাসিদ্ধ মুনি॥
একভিতি কৰি চিত্ৰলেখা গীত গাৱে।
বায়ুতো অধিক কৰি ৰথক ডকাৱে॥
বাণ নৃপতিৰ ৰাজ্য গৈয়া যেৱে পাইল।
সেই সময়ত গৈয়া ৰজনী পুহাইল॥
অগনিৰ গড় গোট দেখিল কুমৰ।
চতুঃপাশে বেঢ়ি আছে গড় ভয়ঙ্কৰ॥

সাত প্ৰহৰেক লাগি জলন্ত প্ৰশস্তে।
আক শিখা গড় তিনি প্ৰহৰৰ পথে ॥
কুমৰে বোলয় ওৰা শুনিয়ো সুন্দৰী
ইটো অগ্নি লঙ্ঘি তুমি যাইবা কেন করি ॥
কোথেৰ অগনি ইটো জানি বা নাজানি।
তেন শুনি চিত্ৰলেখা বুলিলেক বাণী ॥
এতিকো জানিবা বাণ নৃপতিৰ দেশ।
তেজপুৰ নাম ইটো নগৰ বিশেষ ॥
তোমাক নিবোহো এতি নগৰ ভিতৰ।
চাতি থাকা প্ৰভু তুমি নকৰিবা ডৰ ॥
উৰ্দ্ধমুখ কৰি তাই ৰথক ডকাইল।
অগ্নি গড় চড়াই গৈয়া শিখা গড় পাইল ॥
শিখা গড় চড়াই ৰথ যাই ধীৰে ধীৰে।
অলক্ষিতে প্ৰবেশিলা উষাৰ মন্দিৰে ॥
ৰথৰ নামিয়া দুয়ো ভূমি পাৱ হুয়া।
উষাৰ পাসক গৈলা কুমৰক লৈয়া ॥
চিন্তা কৰি উষা বসি আছে একেশ্বৰে।
দূৰন্তে দেখিলে সখী আনিলা কুমৰে ॥
আথে ৰেথে গাৱে চালি উষা ভৈলা ঠিউ।
পুনৰপি আইল যেন মৃতকৰ জীউ ॥
অনিৰুদ্ধে দেখিলেক উষাৰ বদন।
যি কহিলা চিত্ৰলেখি সকল বচন ॥

শুনি চাবি পাক আগ বাঢ়ি মৃছু ভাবে।
আনন্দে বসিলা উষা শঙ্কিত স্বভাবে॥
প্রথম লজ্জাত থাকি উষাও নাসিল।
সেহি থানে থাকি জানুশিবে প্রণামিল॥
চিত্রলেখা বোলে ছুইবো বুজিসো আশয়।
আগবাঢ়ি আশা ছুয়ো দশ দশ পায়॥
সখীর বচনে ছুয়া এড়িলন্ত মান।
আগবাঢ়ি বঙ্গে আসি হৈল একথান॥
কেশে কেশে ধরি অভিষেকিলন্ত জলে।
লগ্নগাঠি বান্ধিলন্ত আঞ্চলে আঞ্চলে॥
ছুইবো হাতে ছুইকো নিয়া দিয়াইলা তাম্বুল
লগ্নগাঠি পিন্ধাই ছুইকো দিয়াইলেক ফুল॥
ছুইভানো মাথাত নিয়া দূর্বাক্ষত দিল।
সমস্ত প্রদীপ ধরি আগবাঢ়ি নিল॥
রত্নময় গৃহে নিয়া করাইল প্রবেশ।
দূর হৈল উষার যতেক মনক্লেশ॥
সুবর্ণ আসনে বসিলন্ত একথানে।
তিনি জন বাঝে তাক নজানয় আনে॥
চিত্রলেখা সমাপিয়া বিবাহর কায।
পাছে সজাইলেক তাই ভোজনর সাজ॥
ভাল করি চিত্রলেখা বান্ধিলা ভেখন।
নানাভাবে সিজাইলেক পঞ্চাশ ব্যঞ্জন॥

বহু বিধ সংযোগে সাজিল পরমান্ন।
পিষ্টক সাজিল তাই নানাবিধ ঠান॥
মগুর ডালিত ঘৃত চিনি চূড়া দিল।
আতি ভাল করি তাক মস্থরে বঞ্জিল॥
আদা লোণ যনী জীরা মরীচক দিল।
ভাজিলে খাসির মাংস বাথরে বঞ্জিল॥
পারাবত আনি তাই করিলেক ভলা।
কচ্ছপর মাংসত দিলেক বরকলা॥
হরিণর মাংস সমে হিজর কোটন।
রম্ভামূলে বরাহর মাংস বিভোপন॥
চিত্রফণী চিত্রলেখা দিলেক কর্পূর।
বড়ালীর ঘান্টি লাড়ি মৎস্যত মস্থর॥
কচে বচে বেস্থরাবি শৌলে মূলে সঙ্গ।
ডবিকে বেঙ্গনে আড়ি মাছত পালঙ্গ॥
কাঠিঅরা করে তাই ইলিহ কান্দোল।
জামীর শোলঙ্গ দিয়া লফার আমোল॥
ঘৃতর তেলনী দিয়া মৌরে সরে ঝোল।
আছোক ভুঞ্জিবে তাক গন্ধত্তে আমোল॥
বদরী রসত চিনি কও মিসলাইল।
পকা হেঙ্গেলিত গুড় রস আনি দিল॥
পঞ্চাশ ব্যঞ্জন সাজিলেক অন্ন পাল।
পবিত্র করিলা পাছে ভোজনর থাল॥

সুবর্ণর দুই পাত্র পৃথকে বিচাইল।
কুমর কুমারী দুইকো ভুঞ্জিবে বৈসাইল॥
আছান্ত করিয়া পাছে দুয়ো ভৈলা শুদ্ধ।
সুমরিলা জনার্দ্দন উষা অনিরুদ্ধ॥
ভুঞ্জিবাক বসিয়া সোধয় আদিমূল।
মই অন্ন ভুঞ্জিবো তোমার কিবা কুল॥
করযোড়ে চিত্রলেখা বুলিলা বচন।
কন্যাক বিহাইবা কেনে সুভুঞ্জিবা অন্ন॥
প্রথমে দেৱক অন্ন দিলা ভাগে ভাগে।
কর্পূর লৱণ ঘৃত ভুঞ্জিলন্ত আগে॥
পঞ্চাশ ব্যঞ্জন নানাভাৱে পৰশন্ত।
চিত্রলেখা নটী যেন নাচন্তে আছন্ত॥
মহিষর দধি দিলা আক মধুরস।
বহুবিধ ঘন ক্ষীর আমোদ বিশেষ॥
ভোজনর অন্তে দুয়ো আছান্ত ভৈলন্ত।
কর্পূর তাম্বুল ভুঞ্জি শয্যাক গৈলন্ত॥
বস্ত্রময় শয্যাত বসিলা দুয়োজন।
চিকিমিকি করে যেন রবির কিরণ॥
সুবর্ণ খাটত হংস তুলি আছে পারি।
শুক্লময় চন্দ্রতাপ উৰ্দ্ধে আছে আরি॥
শুকুলা চামরে আসি বিচে দাসীগণে।
মুকুতা মুরালি থোপা হালয় সঘনে॥

ঘৃতৰ প্ৰদীপ তাত জ্বলে শাৰী শাৰী।
আগৰ ধূপৰ গন্ধে শোভয় ওৱাৰি ॥
দেৱনা মকুৱা বক মালতী মধাই।
শিৰীষ সেউতী নাগেশ্বৰ যুথী যাই ॥
গুলাল কেতকী গন্ধে শয্যাখান শোভে।
গুঞ্জৰে ভ্ৰমৰ মধুকৰী মধু লোভে ॥
উষায়ে সহিতে তাতে বসিলা কুমৰ।
স্বৰ্গত যেহেন শচী সমে পুৰন্দৰ ॥
ভুঞ্জি পাছে চিত্ৰলেখা আনি সেহি খান।
কৰযোড়ে দুইবো আগে বুলিলা বচন ॥
যেতক্ষণে প্ৰভু তুমি যাহা নিজ ৰাজ্য।
মোকো লগে নিবা নকৰিবা পৰিহাৰ্য্য ॥
দাসীভাৱে মই দুইবো সেৱিবো চৰণ।
তুমি এড়ি গৈলে মোৰ হৈবেক মৰণ ॥
অনিৰুদ্ধে বোলে শুনিয়োক বৰনাৰী।
তোমাৰ ঋণক মই শুজিবে নপাৰি ॥
একোকালে তোমাক নযাইবো পৰিহৰি।
সঙ্গে সঙ্গে নিয়া যাইবো দ্বাৰকা নগৰী ॥
গদ নামে আছন্ত আমাৰ খুৰা ভাই।
ৰূপে গুণে বলে বীৰ্য্যে তাৰ সম নাই ॥
আজি ধৰি সম্বন্ধিতা ভৈলাহা আমাৰ।
তাহাক তোমাক বিহা কৰাইবোহো সাৰ ॥

হেন শুনি চিত্রলেখা বড় রঙ্গ মনে।
শয়ন করিতে গেলা পৃথক আসনে॥
উষা আনিরুদ্ধ থাকিলন্ত সেহি থানে।
ভৈল ঘোর নিশা আসি সন্ধ্যা অবসানে॥
অনন্তরে রতি রস মিলিলা দোহার।
কৈল মনোরথ সিদ্ধি ষোড়শ শৃঙ্গার॥
বৃষারূঢ় আদি করি বন্ধ যত যত।
ভাবে ভাবে অনিরুদ্ধে করিল বেকত॥
নখে ক্ষত বহুতর স্তনত করিল।
দুইকো দুই আকোরালি বাহুরে ধরিল॥
আউল বাউল কেশ হয় ছিণ্ডে হেমহার।
কটির মেখলা খসি পড়িল উষার॥
বহুভাবে দুইকো দুই পূরিলন্ত মন।
ঘর্ম্মজলে তিতিলেক দুহানো বদন॥
সিদ্ধি ভৈলা মনোরথ পূরিলন্ত আশ।
পুহাইল রজনী ভৈল রবির প্রকাশ॥
স্নান পান ভোজন করিয়া পূর্ব্বমতে।
আঠ দিন এহিমতে গৈল অলক্ষিতে॥
রতিরসে আনন্দতে আঠ দিন গৈল।
শুনিয়োক তাত পাছে যেন কথা ভৈল॥
কুঁজী নামে আছে তাত এক দুষ্টা নারী।
পাতি আছে নৃপতি উষার অধিকারী॥

কোটৰা কোটৰী আখি বহল কপাল।
খুমুচি আকাৰ মুখ টৈমি যেন গাল॥
নাক পোট চেপেটা কুলাৰ সম কাণ।
পিঠিত কুজেক আছে উধান সমান॥
মুঠেন হাতেক জানা তাইৰ দীৰ্ঘ গল।
দুইখান হাত ভৰি ভিতিনি দীঘল॥
উষা কুমাৰীৰ তাই হোৱে নিজ দাসী।
আঠ দিন অন্তৰে দেখিল তাই আসি॥
উষা অনিৰুদ্ধ বসি আছে এক সঙ্গে।
দশন কামুৰি তাই মাতিলেক খঙ্গে॥
অৰে অৰে চোৰ তোৰ গছ এতমান।
লোহায়ে বান্ধিল ঘৰ আসিলি ইথান॥
কুপিত সিংহক তই লগাৱস মাত।
আশীবিষ সৰ্পৰ গাৱত দেস হাত॥
কৈৰ পৰা আসি তই পাইলি ইটো বাজ।
এবে মৰি যাইবি তই যমৰ সমাজ॥
কৃষ্ণৰ পৰম ভক্ত শ্ৰীচন্দ্ৰ ভাৰতি।
বোলা হোক হৰিপদে অচলা ভকতি॥

দুলড়া

কৈক লাগি আইলে, দুই চক্ষু খাইলে,
মিছাতে প্ৰাণ সুৱাইলে।
সাগৰৰ জলে নাৱক বুড়াইলে,
অল্পতে ঘাড় কটাইলে॥
তোহোৰ যে সাস, বাঘক জোহাস,
জানিয়া সবল খাস।
পলাইবে নপাস, এবে ভৈলি নাশ,
জাপ্টে গায় তুলি আস॥
তোহোৰ পৰাণে আসিলি ইথানে,
দুঃখ পাইবি অবিকলে।
চাহা গুণি মনে, উঠি এতিক্ষণে,
কেশে লোই ধৰো ভালে॥
এড়িয়া নযাইবো, গলত ধৰিবো,
ৰাজাৰ আগক নিবো।
হাতক বান্ধিবো, চুলত ধৰিবো,
চোৰ বুলি নিয়া দিবো॥
উযায়ে গুনিয়া মাতন্ত খজিয়া,
নমাত কুঁজি গৰ্ব্বিয়া।
চুলত ধৰিয়া, গালত মাৰিয়া,
খেদাইবো বাজ কৰিয়া॥

যাহ মান বুঝি, নমাক্ষিবি কুঁজি
প্রহার নলবি খুঁজি।
চরাড়েক মাবি, দাস্ত সবে সাবি,
খেদাইবো মানস সুঝি॥
উষার বচনে, ক্রোধ করি মনে,
গৃহর বাহির হৈল।
কোপে অপমানে, বাতুল পিয়ানে,
রাজাত জনাইবে গৈল॥
হরিত ভকতি, হোক শুদ্ধমতি,
ভাগবতে কবা বতি।
শ্রীচন্দ্র ভাবতি, পদ নিগদতি,
কৃষ্ণব চরণে গতি॥

পদ।

এহিমতে থকি যেবে কুঁজী চলি যাই।
মধুমতী পরেশ্বরী আছে যিবা ঠাই॥
আগবাঢ়ি কুঁজীয়ে যুড়িলা দুই হাত।
আই পরেশ্বরী বুলি নমিলেক মাথ॥

ঊষাৰ লগত তুমি খৈলাহা আমাক।
একোকালে ঊষা নুশুনয় হাক ডাক ॥
কহিব পুৰুষ গোট নিচিনি নজানি।
স্বতন্ত্ৰ কৰিয়া ভিতৰক আছে আনি ॥
এক শয্যা মাজে দুয়ো বসে মন ৰঙ্গে।
বাধিবে নোৱাৰি আমি ভৈলো বৰ খঙ্গে ॥
মোহোৰ বচন নুশুনয় হাক ডাক।
বিস্তৰ বোলন্তে বোলে কাটি এইৰ নাক ॥
প্ৰত্যয় নযায় যেবে চাহিয়োক যাই।
হেন জানি কৰিয়োক যেহেন যুৱাই ॥
তোমাত জনাইলো মই জনাইবো ৰাজাত।
যেনে তেনে ৰাখো মই আপোনাৰ নাক ॥
হেন শুনি পটেশ্বৰী কুঁজী হাতে ধৰি।
মাতন্ত ঊষাৰ অৰ্থে কাউ-বাউ কৰি ॥
এতিক্ষণে নৃপতিত নজনাইবি তই।
আপুনিয়ে বুলি মাতি ৰাখিবোহোঁ মই ॥
প্ৰসাদক দিয়া যে কুঁজীক কৰি মান।
আনি দিল শঙ্খ লাড়ু পাট পৰিধান ॥
প্ৰসাদক পায়া কুঁজী বৰ মন ভৈল।
ৰক্ষাশালে যাও বুলি বাহিৰক গৈল ॥
মহা ৰঙ্গে গুণি গাণ্ঠি কুঁজী চলি যাই।
পথত যাহান্তে গণকক লাগ পাই

গণকক বোলে দিন চাহিয়ো সকাল।
গণি পঢ়ি চাহা মোৰ কোন দিন ভাল॥
গণকে বোলয় মই ভাবি মনে চাওঁ।
পটেশ্বৰী হৈবা হেন গণি পঢ়ি পাওঁ॥
ৰাজাৰ আগত গৈলে পাইবি সত্কাৰ।
পাছে সুমৰিবা এই বচন আমাৰ॥
সভা মাজে বসি আছে বাণ নৃপবৰ।
এহি শুভক্ষণে তুই চলহ সত্বৰ॥
গণকৰ হেন বাণী শুনিলেক তাই।
ৰাজাৰ আগত মন্ত্রা ৰঙ্গে চলি যাই॥
কত দূৰ যাওন্তে নাপিতক লাগ পাইল।
হাত বাউল দিয়া তাঙ্ক সমীপে মাতিল॥
আসিল নাপিত হাতে আছয় দাপোণ।
সেই কুঁজী খোজে তাক আতি বঙ্গ মন॥
ৰাজাৰ পাশক যাওঁ দিয়োক দাপোণ।
মুখ খান চাই লওঁ কেমুৰা শোভন॥
নাপিতে বোলয় মুখ ভাল আছে কুঁজী।
দেখিলে নৃপতি বহু আদৰিবে আজি॥
নাপিতে কুঁজীৰ হাতে দিলেক দাপোণ।
দাপ্ত নিকোটাই তাই চাহবে বদন॥
খুমুচি আকাৰ মুখ দেখিলেক তাই।
নাপিতক মাতে পাছে মুণ্ড চুপিয়াই॥

ইটো আৰু দিয়া নোশোকালি কি কাৰণ।
দাপোণৰ দোষে মুখ দেখোঁ কুলক্ষণ॥
নাপিতে বোলয় মুখ তোৰ ভাল আছে।
বেয়া দেখ দাপোণৰ দোষে জানা আছে॥
যায়ো ৰাজ সভাক নাভাব মনে আন।
মুখ দেখাই পাইবি কুঁজী বহুত সম্মান॥
নাপিতৰ বাক্যে কুঁজী উত্তাৰিল কায়।
লচপচ কৰি ৰাজসভা পাইল যায়॥
বহুল সমাজে ৰাজা আছন্ত সহজে।
দেৱতা সহিতে যেন ইন্দ্ৰ স্বৰ্গ মাজে॥
আগবাঢ়ি কুঁজী গিয়া কৰি যোড়হাত।
প্ৰভু মহাৰাজ বুলি নমিলেক মাথ॥
উষাৰ লগত তুমি খৈলাহা আমাক।
একো কালে তাই সুগুনয় হাক ডাক॥
তোমাৰ আগত কহিবাক লাগে লাজ।
কৈৱৰা পুৰুষ আনি আছে ঘৰ মাজ॥
আমাৰ বচন একো সুগুনয় তাই।
কেন জানি কৰিয়োক যেহেন যুৱাই॥
জীৱ মন্দ কথাক শুনিলে সামৰাজে।
শুনি সুগুনিল ৰাজা পিঠি দিলে লাজে॥
পুনৰপি আগবাঢ়ি কুঁজী বোলে বাক।
খজে ৰাজা বোলে এইৰ কাট কাণ-নাক॥

ৰজাৰ বচন শুনিলেক কটোৱালে।
ধৰি নাক, কাণ কাটিলেক সেহি কালে॥
চন্দা মাৰি সভাৰ খেদাইল ৰাজ কৰি।
লাজে গণকৰ পাশে গৈল শীঘ্ৰ কৰি॥
গণকে বোলয় দিন গণিলো সকল।
ৰাহু গোট নগণিলো তাৰ এহি ফল॥
যিহোক সিহোক আৰে তোৰ গৈল নাক।
ধূলি মাটি দিয়া এভু ৰুধিৰক ঢাক॥
বৰ কষ্টে ৰাজা দশ তনয়ক আনি।
সমাজত নৃপতি বুলিলা হেন বাণী॥
উষাৰ পাশক চলি যায়ো দশ ভাই।
কিবা মিছা শঙ্কা কহিয়াছে কুঁজী তাই॥
ৰাজাৰ আদেশ শুনিলেক দশ ভাই।
বায়ু বেগে গৈয়া উষা কুমাৰীৰ ঠাই॥
কৈৰ চোৰ বুলি খেদি যাই দশ খঙে।
উষা অনিৰুদ্ধক দেখিলা এক সঙে॥
অৰে অৰে চোৰ তোৰ গহ এত মান।
লোহাৰ বান্ধিয়া ঘাড় আসিলি ইথান॥
কোপিত সিংহক তই লগাৱস মাত।
আশীবিষ সৰ্পৰ গাৱত দেস হাত॥
পিঠি হাতে বান্ধি নিবো ৰাজাৰ আদেশে।
জাণ্ট গাৱ চাল তোৰ নতু ধৰো কেশে॥

আমস্বাক সম্মুখি মাতন্ত অনিৰুদ্ধ ।
শুনা শুনা দশ ভাই নকৰিবা ক্ৰোধ ॥
তোমাৰ বহিনী উষা আনিলে আমাক ।
আঠ দিন মাত্ৰ ভৈল বিহাইলো ইহাক ॥
গোবিন্দৰ নাতি কামদেৱৰ তনয় ।
মোৰ নাম অনিৰুদ্ধ লোৱা পৰিচয় ॥
ভৈলো আমি কুটুম্বিতা নকৰিবা কষ্ট ।
যদি ক্ৰোধ কৰা আপুনিসে হুইবা নষ্ট ॥
হেন শুনি ক্ৰোধে মাতিলেক দশ ভাই ।
কাতৰ কৰিলে তোক এড়ন নযাই ॥
কেহো বোলে মাৰ মাৰ কেহো বোলে ধৰ ।
হাতে গলে বান্ধিয়া গৃহৰ বাজ কৰ ॥
চৰড় চাপৰ মাৰি তিৰী চোৰ ধৰি ।
ইহাক দণ্ডিলে লোক বুলিবেক হৰি ॥
ধৰ মাৰ বুলিয়া চাপিল সন্নিহিত ।
দেখিয়া কুমাৰ আতি ভৈলা প্ৰকুপিত ॥
উঠিলেক অনিৰুদ্ধ শয্যাখান ছাড়ি ।
বায়ু বেগে স্তম্ভগোট লৈলন্ত উভাৰি ॥
দীঘল ভাঙ্গৰ স্তম্ভ দেখি অনিৰ্ব্বাৰ ।
কৰে দণ্ড ধৰি যেন যমে দিলে খাৰ ॥
গৃহৰ বাহিৰ হুৱা দিলে স্তম্ভ পাক ।
লঙ্ঘিবে নোৱাৰি যেন কুমাৰৰ চাক ॥

আইস বুলি তাসম্বাক শীঘ্ৰে দিলা ঘায় ।
সিংহক ভংসস আনি শৃগালৰ ছাৱ ॥
দশ কোবে দশকে মাৰিলা মহাবীৰ ।
পুনৰপি পশিলন্ত উষাৰ মন্দিৰ ॥
অনিৰুদ্ধ বদন্তি শুনিয়ো বৰনাৰী ।
বড় দোষ কৰিলো তোমাৰ ভ্ৰাতৃ মাৰি ॥
যমৰ সদনে পঠাইলোহো দশ ভাই ।
দুৰ্ঘোৰ কন্দল আসি হুইবে এহি ঠাই ॥
তযু ভ্ৰাতৃ বধ শুনি কৰিব সকল ।
সবাকো মাৰিবো ঘোৰ লাগিব কন্দল ॥
মেলানি দিয়োক মোক যাওঁ নিজ ৰাজ্য ।
থাকিয়োক প্ৰাণেশ্বৰী মিলিল অকাৰ্য্য ॥
হেন শুনি উষা কুমৰৰ পাৱে ধৰি ।
মধুৰ বচনে কান্দি মাতিলা সুন্দৰী ॥
তুমি এড়ি গৈলে প্ৰাণ যাইবে এতিক্ষণে ।
মৰা দশ ভাইতো মোৰ কষ্ট নাহি মনে ॥
বাপৰ ধনক সব পৰিয়ালে খাই ।
ভাইৰ ধন মান সবে হাত তোলা পাই ॥
স্বামীৰ ধনক সৰ্ব্বকালে কৰে ভোগ ।
মৰা দশ ভাইক ৰাখিবে নোহে যোগ ॥
দশো ভাইৰ বধ দেখি ৰখীয়া সকল ।
নৃপতিৰ আগে গৈয়া উপসন্ন ভৈল ॥

ৰথীয়া সকলে বোলে কিনো অদভুত
সেই চোৰে মাৰিলে তোমাৰ দশ পুত ॥
শুনি মহামৰ্ম্মে ৰাজা কৰিলে আদেশ।
চতুৰঙ্গ দল সাজি যায়োক নিঃশেষ ॥
মোৰ পুত্ৰগণ চলি যাউক সাতো আগ।
পলাইবেক দুষ্ট চোৰ কাণ্টে নৈয়ো লাগ ॥
চতুৰ্ব্বিধ সেনাগণ ৰাজাৰ আদেশে।
সবে সমবক লাগি চলিল বিশেষে ॥
কেহো গজে কেহো ঘোড়া কেহো ৰথে চড়ে।
পুত্ৰগণ সমে সবে প্ৰজাগণ লড়ে ॥
নৃপতিৰ পুত্ৰগণ পাইলে আগে যাই।
কুমৰক বোলয় আছয় কোন ঠাই ॥
অনিৰুদ্ধ উষায়ে খেলান্তে আছে পাশ।
ৰতিৰস আনন্দতে তোলে দুয়ো হাস ॥
কুমৰক মহা খঙ্গে সবে পাৰে গালি।
ঝাণ্টে আস শয্যাৰ উঠিয়া গায় চালি ॥
বাণ নৃপতিয়ো খেদি গৈলা সেহি ঠাৱ।
তাক দেখি অনিৰুদ্ধে চালিলন্ত পাৱ ॥
উষায়ে সহিতে নমিলন্ত জানুশিৰে।
বচন বুলিল আতি মেঘৰ গম্ভীৰে ॥
তোমাৰ দুহিতা উষা আনিলে আমাক।
অষ্টম দিৱস ভৈল বিয়াইলো ইহাক ॥

গোবিন্দৰ নাতি কামদেৱৰ তনয়
মোৰ নাম অনিৰুদ্ধ জানিবা নিশ্চয় ॥
তযু দশ পুত্ৰ আইল মত্তিত্ত অবোধ ।
মোক গালি পাৰে দেখি উঠি গৈল ক্ৰোধ ॥
তথাপি ক্ষমিলো ধৰিবাক চাৰে মোক ।
সিকাৰণে মাৰিলো তোমাৰ দশ পোক ॥
হেন জানি মোৰ যত দোষ ক্ষমিয়োক ।
তুমিসে শ্বশুৰ এবে গৃহে চলিযোক ॥
হেন শুনি কোপে জ্বলি গৈলা বাণ ৰাই ।
অগনিত ঘৃত যেন তেহুয় পৰাই ॥
অৰে অৰে চোৰ তোৰ এতমান হিউ ।
দশ পুত্ৰ মাৰিলি হৰিলি মোৰ জীউ ॥
কৃষ্ণক যে দেখাৱস তাত নাহি ডৰ ।
আউৰ জীৱনক লাগি কৰস কাতৰ ॥
ধৰ ধৰ বুলি আদেশিলা বাণ ৰাজা ।
তুমুল কৰিয়া বেড়লেক সবে প্ৰজা ॥
হস্তী কান্ধে কুমৰক বেড়িলা মাহুতে ।
ঘোৰ ছুটি দিয়া পাছে বেড়িলা ৰাহুতে ॥
ৰথিগণে বেড়িলেক ৰথে গতি কৰি ।
পদাতি বেড়িলে গই খাণ্ডা ৰাক ধৰি ॥
দেখে অনিৰুদ্ধে সবে ভৈলেক অকাৰ্য্য ।
হস্ত গোট ধৰিয়া গৃহৰ ভৈলা ৰাজ ॥

দীঘল চৌষট্টি হস্ত বেড়ে কুড়ি হয়।
তাক ফুরারম্ভ যেন ত্রিশূল পরায়॥
সেনা মাঝে অনিরুদ্ধে দিলেক আটাস।
কর্ণে তাল হানে প্রজা শুনি হৈল ত্রাস॥
বিপরীত শব্দ পাছে গৈল দশো দিশে।
কর্ণে হাত দিয়া প্রজা বোলে পাইলে কিসে॥
গজ বাজী চিঁহরিয়া পলাইল লরড়ি।
বেহু ভাঙ্গি প্রজাগণ থাকি গৈল দড়ি॥
পাছে নৃপতির গৈল শতেক কুমার।
সবে হৃষ্টমন বীর বলীষ্ঠ দুর্ব্বার॥
খড়্গাচর্ম্ম চাপ বাণ ধরি শেল শূল।
কুমরক চাই বোলে করহ নির্ম্মূল॥
একেবারে শর প্রহারিলা আসবিস।
কুমরক বেড়ি সবে মারা দশোদিশ।
হস্তর পাকত অস্ত্র করিলা বিনাশ।
তাক দেখি সবাহার লাগিল তরাস॥
স্তম্ভক ধরিয়া অনিরুদ্ধে বেগে ধাই।
প্রত্যেক খোজতে বসুমতী কম্পি যাই॥
স্তম্ভকোরে কাহারো ভাঙ্গিল কুম্ভস্থল।
কাহারো ভাঙ্গিল কটি উরু শির গল॥
আধামরা হয়া প্রজাগণ আছে পরি।
খেদি তাক মারন্ত গলত দিয়া ডরি॥

বাজাৰ শতেক পুত্ৰ মাৰিলা নিমিষে।
ৰণ মাজে অনিৰুদ্ধে পশিয়া হৰিষে॥
অনিৰুদ্ধে সেনাক মাৰন্ত জাকে জাকে।
অযুতে নিযুতে মৰি যাই স্তম্ভপাকে॥
সেবেলাত কামদেৱ সুত অনিৰুদ্ধে।
তিনি অক্ষৌহিনী সেনা মাৰিলেক যুদ্ধে॥
অযুতেক মত্ত হস্তী তিনি লক্ষ ৰথ।
সাত লক্ষ ঘোড়াক পঠাইল যমপথ॥
বাণ কটকৰ বড় ভৈল মহামাৰ।
আবাৰ ক্ৰন্দন শুনি সকলো সেনাৰ॥
মহাভয়ে পলাই সেনা নকৰে সমৰ।
বাপক নচাৱে পুত্ৰে ভ্ৰাতৃক সোদৰ॥
হেন দেখি নৃপতিৰ প্ৰথম কুমাৰ।
কৰে ধনু ধৰি কুম্ভবীৰে দিলে ধাৰ॥
ধনুখান ধৰিয়া কৰিলা গুণ সেৱ।
শবদ উঠিল যেন গাজিলেক দেৱ॥
কুম্ভপতি বাণ কুম্ভে যুড়িলেক আনি।
হানিলেক বীৰে শৰ কৰ্ণমানে টানি॥
সেহি শৰে কুমৰৰ কাটি স্তম্ভ গোট।
বাহু দাপি মাৰি কুম্ভে কৰয় আস্ফোট॥
স্তম্ভ ছেদে অনিৰুদ্ধ বিনাস্ত্ৰ ভৈলন্ত।
মনে মনে অনিৰুদ্ধে সূৰ্য্যাক ধিয়ান্ত॥

নমো দিবাকৰ দেৱ জগতৰ সাক্ষী।
চৰাচৰ জগতৰ তুমি নিজ আঁখি ॥
তোমাৰ উদয়ে দিন হোৱে সুপ্ৰভাত।
ৰক্ষা কৰা দিবাকৰ প্ৰণামো তোমাত ॥
তুষ্ট হুয়া ধনুশৰ দিলা দিবাকৰ।
দীপ্তি কৰি আছে আকাশত ধনু শৰ ॥
আলগতে হাত মেলি ধৰিলা কুমৰ।
ত্ৰিশূল ধৰিয়া যেন উপসন্ন হৰ ॥
ধনু ধৰি অনিৰুদ্ধে কৰিয়া মণ্ডলী।
চক্ৰাকাৰ কৰি ফুৰাইলন্ত মহাবলী ॥
আকৰ্ণ পুৰিয়া বীৰে কৰিলা টঙ্কাৰ।
পুৰিলেক দিশপাল সকলে সংসাৰ ॥
বাণ কটকত লাগি গৈল উসমিস।
যুদ্ধ পৰিহৰি প্ৰজা পলাই দশোদিশ ॥
হেন দেখি বাণ ৰাজা গুণে মনে মন।
সূৰ্য্যে ধনু দিলে আক নোহে অল্পজন ॥
এহি ধনু লৈয়া যেবে কৰয় সমৰ।
তেবে আক সম্মুখে যুজিবে কোন নৰ ॥
আক শৰ যেবে নৌউ বিনাশে আমাক।
আবে নাগপাশে বন্দী কৰোহো ইহাক ॥
এহি বুলি নাগপাশ বাণ লৈলা ক্ৰুতে।
কুমৰক লাগি বাণ হানিলা বিদ্যুতে ॥

ফোকাবন্তে নাগপাশ আকাশে উড়াই।
সৰ্ব্বগাৱে বান্ধিলেক কুমৰক পাই ॥
যেবে নাগপাশত কুমৰ বন্দী ভৈল।
দিব্য ধনুবাণ আকাশক চলি গৈল ॥
হেন দেখি সূৰ্য্যে অতিশয় দয়া ভাৱে।
অভেদ কৱচ দিলা কুমৰৰ গাৱে ॥
নাগ পাশে বন্দী হুয়া কুমৰ আছে পৰি।
পাছে বাণ ৰাজা খেদি গৈলা শীঘ্ৰে কৰি ॥
কুমৰৰ কান্ধে কোব দিলেক লৰড়ি।
ভাগি গৈল খড়্গ কুমৰৰ কান্ধে পড়ি ॥
পুনৰ্বাপি প্ৰহাৰিলা গদা হাতে লই।
ভাগি গৈল সিয়ো গদা খণ্ড খণ্ড হুই ॥
তাত পাছে প্ৰহাৰিলা বিপৰীত শূল।
কুমৰক পড়ি সিয়ো ভৈগৈল নিৰ্ম্মূল ॥
দশ গোটা হস্তী আনি গড়কাইল পাছে।
বজ্ৰসম শৰীৰ কুমৰ বসি আছে ॥
তাত পাছে পেল্লাইলেক সাগৰৰ জলে।
উটন্তে ফুৰয় তাত মহা কৌতূহলে ॥
যত যত প্ৰকাৰে প্ৰহাৰে শৰীৰত।
সূৰ্য্যৰ প্ৰসাদে একো নপড়ে গাৱত ॥
মাৰিবাক লাগি তাৰ শকতি নভৈল।
পোটা শালে তাক পাছে বন্দী কৰি থৈল ॥

কুমৰক বন্দী কৰি চলি গৈলা বাণ।
দেৱ ঋষি নাৰদ আগত বিদ্যমান॥
নাৰদে বোলন্ত বাপা থাকা দিন চাৰি।
আপুনি গোবিন্দ আসি নিবন্ত উদ্ধাৰি॥
এতিক্ষণে যাওঁ মই বাৰ্ত্তা জনাইবাক।
এহি বুলি নাৰদ লড়িলা দ্বাৰকাক॥
কৃষ্ণৰ আগত গৈয়া ভৈল উপসন্ন।
পাদ্য অৰ্ঘ্য আচমনি দিলন্ত আসন॥
থানিতেকো চিন্তা নাই তোমাৰ মনত॥
অনিৰুদ্ধ বন্দী ভৈল শোণিত পুৰত।
অবিদিতে বিহা ভৈল উষায়ে সহিত।
জানি বাণ ৰাজা বন্দী কৰিলা তহিত॥
সূৰ্য্যৰ প্ৰসাদে নোৱাৰিল মাৰিবাক
হেন জানি আপুনি যায়োক আনিবাক॥
নাৰদৰ মুখে হেন শুনি হৃষীকেশ।
যাদৱ বংশক আনি কৰিলা আদেশ॥
শাম কাম মুখ্য কৰি আছে যত যত।
কৃষ্ণৰ আদেশে সবে আসিলা সমস্ত॥
চতুৰঙ্গ দলে লড়িলন্ত যাত্ৰা কৰি।
সমদলে চপকৰে লড়ি গৈলা হৰি॥
হস্তী যূথ যাই আগে কোটি পৰিমাণ।
সবে চতুৰ্দ্দন্ত মহা শিখিৰ সমান॥

উত্তম সিন্দুৰ মণ্ডিলেক গণ্ডস্থলে।
ঐৰাৱত হস্তীক জিনিব পাৰে বলে॥
পিঠিত মাহুত যত সবে পয়োসাৰ।
প্ৰতাপে আদিত্য যেন বলিষ্ঠ দুৰ্ব্বাৰ॥
হস্তীৰ আগত ঘোৰা সহস্ৰ অযুত।
যুজিবাক চলে সাজে পিঠিত মাহুত॥
ধৱলী কামলী কাল পাৰলি শীতল।
পক্ষী সম ছুটে সবে বায়ুতো আগল॥
দশ লক্ষ সেনা চলে ঘোটকৰ আগে।
তূণ সবে ভৰি শৰে চলে বায়ুবেগে॥
ধনু আছাৰন্তে যাই পৰম আটাস।
ধনুকীৰ শৰদে পূৰিল দিশ পাশ॥
ধনুকীৰ আগে সেনা চলে বিপৰীত।
নানাবিধ খাণ্ডা বাক ধৰিয়া সমস্ত॥
কতো যাই ডাঙ্ফি কৰে বলে মত্ত হুই।
লগুড়ৰ ছোটে মহা পাষাণ উড়াই॥
আগে চলে বলভদ্ৰ পশ্চিমত কাম।
দক্ষিণত গদ যাম্ভ উত্তৰত সাম॥
মধ্যত গোবিন্দ যান্ত আতি সমদলে।
দলদোপ বসুমতী প্ৰজাৰ হিন্দোলে॥
গোবিন্দৰ পাশে বড় বড় বীৰ চলে।
এহিমতে যুদ্ধত লড়িলা কৌতূহলে॥

ছিন্ন চৌওা পতাকা তোৰণ ধ্বজদণ্ড।
লেখা জোখা নাহিক যতেক বাদ্যভাণ্ড॥
যদ্যপি বহুত পথ বাণৰ নগৰী।
তিনি দিনে পাইলা প্ৰভু মহা বেগ ধৰি॥
ব্যাপিয়া আছন্ত হৰি তিনিও জগত।
কোননো অশক্য আছে তাহান আগত॥
অগনিৰ গড় গোট দেখিলা তহিত।
প্ৰলয়ৰ বহ্নি যেন দেখি উজ্জ্বলিত॥
গৰুড়ক চাই আদেশিলা চক্ৰপাণি।
অগনিৰ গড় তুমি নুমায়ো আপুনি॥
কৃষ্ণৰ আদেশ বাণী শুনি পক্ষীৰাজ।
উড়াৰ কৰিয়া গৈলা সাগৰৰ মাজ॥
দুই পাখি ঢাকি যান্ত উদয়াস্ত গিৰি।
গাণ্ডি গোটে ঢাকি যান্ত ব্ৰহ্ম সভা পুৰি॥
দুই ভৰি ঢাকি যান্ত মাৰুতৰ পথ।
চলয় গৰুড় পক্ষী নাৰায়ণ ৰথ॥
দীঘলে পঞ্চাশ লক্ষ পক্ষী মহামানী।
মধ্য সাগৰত তাৰ আঠ ভৈলা পানী॥
সাগৰৰ জলক পক্ষীয়ে ভৰি আনি।
শোণিত পুৰক ঢাকি বৰষিলা পানী॥
প্ৰলয়ৰ মেঘ যেন বৰিষয় ধাৰে।
প্ৰহৰেক মানে জল বহে একতৰে॥

অবিচ্ছেদে বরষিল পক্ষীরাজ দৃঢ়।
ঘুমাইলা অগনি সবে ভাগি গেল গঢ়॥
শোণিত পুরর প্রজা ভৈল মহাভয়।
পরাঠ মিলিল বুলি ভৈগৈল বিস্ময়॥
রাজাত জনাইবে গৈল ছহি ধাই লড়ে।
সমর মিলিল আসি আমার নগরে॥
সেনাগণ আসি আছে সাগর সঙ্কাশ।
লীলায়ে শোণিত পুর করিব বিনাশ॥
হেন শুনি যুদ্ধক সাজিলা বাণ রাজা।
লগে সাজি লৈয়া হয় হস্তী বহু প্রজা॥
দশ অক্ষৌহিণী সেনা লগে চলি যাই।
প্রজার উপরে কাক শগুন উড়াই॥
হালধীয়া মেঘ সবে ঢাকিল আকাশ।
আগত শৃগাল আসি পারয় আটাস॥
যাত্রাকালে রাজায়ো দেখিলে সুদা হাতী।
বোলা বুলি করি দ্বন্দ্ব করে দুই হাতী॥
আরো দেখিলেক রাজা তৈলর পসারী।
আগে লৈয়া যাই দেখে খরি ভার চারি॥
হেন বিমঙ্গল সব দেখিলা রাজাই।
বলর দর্পত সিটো কাকো নডরায়॥
দুর্জ্জয় সেনার ঘোর গর্জ্জন গর্জ্জন।
আন্দোল আস্ফালে মহী কম্পে ঘনে ঘন॥

দুই খান মেঘ যেন ভৈল এক ঠাই ।
বামে বাৰণক যেন মত্তে খেদি যাই ॥
উভয় সেনাৰ ৰোলে পুৰিল আকাশ ।
দেৱতাবো শুনিয়া লাগিল গৰ্ত্ত ত্ৰাস ॥
ত্ৰিদশক ইন্দ্ৰে হেন বুলিলা বচন ।
কহিত্ত বজায় বাদ্য জানা কোন জন ॥
বৰ ভয় লাগে মোৰ মন নোহে থিৰ ।
স্বৰ্গৰাজ্য লৈবে লাগি আসে কোন বীৰ ॥
হেন শুনি বৃহস্পতি বুলিলন্ত বাণী ।
শোণিত পুৰক আসিলন্ত চক্ৰপাণি ॥
বিপৰীত সমৰ লাগিল কৃষ্ণ বাণে ।
টলমল বসুমতী কৰে ঘনে ঘনে ॥
হেন শুনি ইন্দ্ৰক প্ৰমুখ্যে দেৱগণ ।
কৌতুকে আসিলা ৰণ চাহিবাক মন ॥
সমৰ ভূমিত দেৱগণ উপগত ।
সিদ্ধ বিদ্যাধৰ সবে আসিলা লগত ॥
দেৱকন্যা আসিলন্ত স্বামীৰ লগত ।
আকাশ ঢাকিয়া সবে ৰখাইলন্ত ৰথ ॥
জয় কৃষ্ণ ঘোষন্ত দেৱৰ মনে দয়া ।
হৰি সেনা ঢাকি সবে কৰি থাকে ছায়া ॥
উভয় সেনাক দেখি দেৱ ভৈলা ভিত ।
তাত পাছে যেন ভৈলা শুনা পৰীক্ষিত ॥

অনন্তবে দুই দলে মিলিল সমব।
নভূত নভাবি হেন যুদ্ধ ভয়ঙ্কব॥
দুতয় সেনাব লাগিলেক উসমিস।
ধূলি অন্ধকাব ভৈল নমনিয় দিশ॥
বথে বথে গজে গজে সম্নাহ শবীবে।
বলীযাবে বলীয়াবে যুঝে বান্ধ ভিবে॥
অশ্বে অশ্বে মাহুত্তে মাহুতে হত্তাহত্তি।
ধনুকী ধনুকী ধাইল পদাত্তি পদাতি॥
জয়ক চাহন্তে কেহো মবিবে নচাবে।
বথব উপবে মহাবেগে বথ বাবে॥
দশোদিশ শুনি কাটি মাব মাত্র বোল।
প্রলয় মিলিল আসি ভৈগেল কল্লোল॥
গাণ্ডি মুণ্ড বেলগাবে অস্ত্রে কাটে শিব।
দশোদিশ চাকিলেক মৃত্তক শবীব॥
কাবো শিব ছিণ্ডি আছে শব অস্ত্র ঘাবে।
কত্তো বীব পড়ি আছে অচেতন ভাবে॥
সিবেলাত্ত সাম কাম সাত্যকি এতিনি।
বাণ কটকব বড় লগাইলা বিঘিনি॥
তিনি বীবে মেঘে যেন ববিষয় নীব।
সেহিমত্তে শব প্রহাবন্ত তিনি বীব॥
তিনি বীবে শবে চাইল সমস্ত আকাশ।
ভৈল অন্ধকাব নাহি ববিব প্রকাশ॥

প্ৰলয়ৰ বহ্নি যেন লাগিয়াছে বনে।
সেহিমতে সেনা সংহাৰন্ত যম যেনে॥
যুজিবাক লাগি কাৰো শকতি নভৈল।
পাছ গুচি বাণ-সেনা দশোদিশে গৈল॥
পলাই গৈল বাণ-সেনা ৰণ পৰিহৰি।
পশিলা লৰড়ি সবে আপোনাৰ পুৰী॥
মাধৱৰ সেনা সবে লগাইলেক হুড়ি।
যতেক সৰ্ব্বস্ব মানে নেই লুড়ি পুৰি॥
যদুসেনা পশিলেক শঙ্কৰৰ ঠাই।
ধন ধান্য বস্ত্ৰ আনে যিবা যৈত পাই॥
শিৱৰ কাঢ়িয়া আনে বস্ত্ৰ অলঙ্কাৰ।
কিৰীটি কুণ্ডল মণি মুকুতাৰ হাৰ॥
জয়ঘণ্টা চন্দ্ৰতাপ ভাঙ্গে দেৱঘৰ।
তেন দেখি মহা ক্ৰোধ ভৈল শঙ্কৰৰ॥
নন্দী ভৃঙ্গি মহাকাল ভৈৰৱক আনি।
মহাকোপে আদেশি বুলিলা হেন বাণী॥
আপোনাৰ সেনা লৈয়া যায়োক সত্বৰ।
বাণ পক্ষ হুয়া মাধৱক যুদ্ধ কৰ॥
এহি বুলি বৃষভত চড়িয়া সত্বৰ।
পিনাক ধনুক ধৰি ঊপসন্ন হৰ॥
যাত্ৰা কৰি লড়ি গৈলা সমৰক আশে।
গণপতি কাৰ্ত্তিক লড়িলা দুই পাশে॥

বাণ নৃপতিয়ো গৈয়া ভেটিলন্ত আগ।
নিষিংষকে পাইলা যাই কটকর লাগ॥
চারি সেনাপতি সমে ভৈল ঘোর রণ।
আপুনিয়ে কৃষ্ণক যুজন্ত ত্রিলোচন॥
বাণ সাত্যকির বড় মিলিল সংগ্রাম।
কুম্ভাণ্ড মন্ত্রীক আসি যুজে হলীরাম॥
কুম্ভাণ্ডর খুল ভাই কূপকর্ণ নাম।
তেহে সমে যদুবর করিলা সংগ্রাম॥
কামদেব কার্ত্তিকর ভৈল ঘোর রণ।
সামে গণপতি সমে করয় গর্জ্জন॥
রথী রথী গজে গজে মাহুতে প্রগাবে।
বলী বলী যুদ্ধ করে কুমারে কুমারে॥
এক ঠাই গাখি মুণ্ড আউর ঠাই শিব।
দিশপাশ আকাশ ঢাকিল মহাবীর॥
কতো বীর মরি পরি আছে খড়্গ ঘায়ে।
কতো কতো আধা মরা পরি সেহি ঠায়ে॥
সেহিবেলা ক্রোধ করি ধনু ধরি হর।
গোবিন্দক কেলিলন্ত কুরি পাট শর॥
হেন দেখি হরি প্রহারিলা আঠ বাণ।
প্রত্যেক শরক করিলন্ত তিনি খান॥
সাত কোটি সেনা আসি শঙ্কর সঙ্গে।
বাণর সহায় হৈয়া যুদ্ধ করে রঙ্গে॥

একে একে প্ৰহাৰিলা দশ দশ বাণ।
কুটিল নিসন্ধি কৰি দেখি বিদ্যমান ॥
শঙ্কৰেও কুৰি শৰ কৰিলা প্ৰহাৰ।
হৰিয়ো হৰক প্ৰহাৰিলা বাৰম্বাৰ ॥
শৰময় আকাশ ভৈলেক নিৰন্তৰে।
ফৰিঙ্গ উড়য় যেন দিশ দিশান্তৰে ॥
বাৰচাৰ নাহিকে দেখিয়া তমোময়।
হেন দেখি হৰি সেনা ভৈল মহাভয় ॥
সেনা ভয়াতুৰ দেখি দেৱ দামোদৰ।
হাঁসি হাঁসি শঙ্কৰক প্ৰহাৰন্ত শৰ ॥
প্ৰত্যেকে শৰক হৰি কৰিলা সন্ধান।
অসংখ্যাত কৰি প্ৰভু বৰষিলা বাণ ॥
শঙ্কৰৰ লগে সেনা আছিল যত যত।
এক এক কুৰি শৰে বিন্ধিলা গাৱত ॥
স্তম্ভিত ভৈল সেনা হৰি শৰ দেখি।
ভিৰি লড় দিলে সবে সমৰ উপেক্ষি ॥
সেনা পলাইবাৰ দেখি কিটাইলা শঙ্কৰ।
গোবিন্দক সম্মুখে হানিলা অগ্নিশৰ ॥
হৰি যম শৰ হানি কৰিলা নিৰ্ব্বাণ।
তাক দেখি শঙ্কৰে মাৰিলা বায়ুবাণ ॥
বাতাস গোসাই মহা দেখি ভয়ঙ্কৰ।
খৰ বায়ু বহে ভূমি লড়ে নিৰন্তৰ ॥

সমদলে মাধবো ভৈলন্ত ভয় ভীত।
ধূলা খোলা উড়ে চক্ষু নপাৰে মেলিত॥
যত শৰ মাৰে গোবিন্দৰ সেনাগণে।
বত্তাসতে উলটয় ফুটয় আপোনে॥
সব সেনা উড়ুৱাই শিৱৰ বতাসে।
ৰণ হাৰি প্ৰজা সব পলাইল তৰাসে॥
হেন দেখি হৰি কোপ কৰি গুৰুতৰ।
হানিল পৰ্ব্বত শৰ বড় ভয়ঙ্কৰ॥
বতাসে নলৰে গিৰি গম্ভীৰ দুৰ্ব্বাৰ।
বাণ কটকত পড়ি মৰিল অপাৰ॥
পৰ্ব্বতক দেখি হৰে পাতিলে ত্ৰিশূল।
সকলে পৰ্ব্বত পৰি হোৱয় নিৰ্ম্মূল॥
হেন দেখি চক্ৰ ধৰিলন্ত দামোদৰ।
শূল এড়ি জ্বৰ বাণ ধৰিলা শঙ্কৰ॥
আগে নৌউ চক্ৰ হৰি কৰন্তে সন্ধান।
আড়ম্বৰে হৰে প্ৰেৰাবিলা জ্বৰ বাণ॥
সমদলে মাধৱক পাইলা গৈয়া জ্বৰে।
কৰে কম্পমান প্ৰজা মৰয় সত্বৰে॥
কম্পায়ে শৰীৰ ঘনে ঘনে মিলে দুখ।
পিয়াস লাগয় শুষ্ককণ্ঠ শুকাই মুখ॥
বস্ত্ৰ নসম্বৰে সবে মুক্ত ভৈল কেশ।
মাধৱৰ সৈন্য ভৈল মৃতকৰ বেশ॥

হেন দেখি দয়াময় দেব চক্রপাণি।
বৈষ্ণব জ্বরক প্রহারিলা বড় টানি॥
রুদ্র জ্বর পলাই ভয়ে শঙ্করর কাছে।
বিষ্ণু জ্বরে মহাকোপে খেদে পাছে পাছে॥
জ্বরক সম্মুখি পাছে মাতে পশুপতি।
তোমাক রাখিবে মই নোৱাৰো সম্প্ৰতি॥
যারে নৌউ বিনাশ করয় বিষ্ণু জ্বরে।
ঝান্ট গৈয়া শরণ পশিয়ো দামোদরে॥
শিবর বচনে জ্বর গৈল কৃষ্ণ পাশে
দেখিলন্ত হরি পুনরপি জ্বর আসে॥
প্রত্যক্ষে দেখিলা হরি জ্বরর শরীর।
ছয় ভুজ তিনি পার তিনি গোট শির॥
নব গোটা চক্ষু রক্তবর্ণ অতিশয়।
কৃষ্ণবর্ণ কলেবর দীঘল আলয়॥
জ্বর আসে দেখি হরি কোপ করি টান।
শর হানি জ্বরক করিলা তিনি খান॥
একখান নিত্য জ্বর আউর খান পাল।
আউর জ্বর আতিশয় তিখাল বিখাল॥
তিনি খান হয়া জ্বর যাই কৃষ্ণ পাশ।
ত্ৰাহি কৃষ্ণ বুলি জ্বরে দিলেক আটাস॥
তিনি মুখে জ্বরে স্তুতি করয় বিস্তর।
সৃষ্টি স্থিতি অন্তকারী তুমি জগতর॥

চাৰি মুখে চাৰি বেদ নিৰূপিয়া সাৰ।
ত্ৰাহি কৃষ্ণ নমো দেৱ দেৱ বাৰম্বাৰ ॥
তিনি ৰূপে জ্বৰে স্তুতি কৰিলা বিস্তৰ।
জ্বৰৰ স্তুতিত তুষ্ট ভৈলন্ত ঈশ্বৰ ॥
মোৰ শৰে জ্বৰ নষ্ট মুহিবন্ত জানি।
দয়াযে জ্বৰক মাতিলন্ত চক্ৰপাণি ॥
মাধৱে বোলন্ত জ্বৰ তোক দিলো বৰ।
তোহোৰ শৰীৰ হোক অজৰ অমৰ ॥
তোৰ মোৰ সম্বাদ শুনয় যিবা নৰ।
একো কালে তই তাৰ নযাইবি ওচৰ ॥
এহি বুলি জ্বৰ বিসৰ্জ্জিলা দেৱ হৰি।
শঙ্কৰক ধাই গৈলা কৰে ধনু ধৰি ॥
তিনি পাত শৰ প্ৰভু যুড়িলা গুণত।
শুনিয়োক তিনি পাত বাণ যেন মত ॥
স্তম্ভন মোহন নিদ্ৰা তিনি পাত শৰ।
শঙ্কৰৰ হৃদয়ত পড়ি দৃঢ়তৰ ॥
মোহনৰ ছোট নসহিলা গৌৰী স্বামী।
স্তম্ভনে পীড়িলে ঘনে ঘনে উঠে হামি ॥
নিদ্ৰাবাণে পীড়িত ভৈলন্ত ত্ৰিলোচন।
বৃষভৰ ওপৰতে কৰিল শয়ন ॥
বৃষভকো প্ৰহাৰিলা শৰ তিনি পাত।
পাছে শুচি গৈল তিনি প্ৰহৰৰ বাট ॥

শঙ্কৰৰ ভঙ্গ দেখি ৰঙ্গে দেৱগণ।
কৃষ্ণৰ শিৰত কৰে পুষ্প বৰিষণ॥
সিবেলাত সাম্ব কুম্ভাণ্ডৰ সমৰত।
কোনে কহিবেক যুদ্ধ ভৈলা যত যত॥
দুয়ো বীৰ তৰুণ বয়স সুকুমাৰ।
দুইকো দুই কৰিলন্ত শৰৰ প্ৰহাৰ॥
ৰুধিৰে দীপিত দেহা অধিকে সুহাই।
অশোক কানন যেন ফুলিল পৰাই॥
আকাশ ঢাকিয়া বৰষিলা শৰচয়।
ভৈল অন্ধকাৰ নাহি ৰবিৰ উদয়॥
দুয়ো বীৰ ধীৰ মহা নিপুণ সমৰে।
কিন্তু মন্ত্ৰী গোট বিক্ৰমত আতি চৰে॥
ক্ষুৰ বাণে সাম্বৰ কাটিলা ধনু শৰ।
অৰ্দ্ধচন্দ্ৰে সাৰথিকো নিলা যম ঘৰ॥
সূচীমুখ শৰ হানি ধ্বজকো ভেদিলা।
শঙ্কুকৰ্ণ শৰ হানি ৰথকো ছেদিলা॥
হৃদয়ত সাম্বৰ ভেদিলা কুৰি বাণ।
সন্মুখ সমৰে মন্ত্ৰী কৰি বড় টান॥
অগ্নিৰ সমান কান্তি বীৰ হলধৰে।
কৰত মুষল ধৰি ধাইল তাত পৰে॥
কুম্ভাণ্ডৰ কান্ধে দিলা মুষলৰ বাড়ি।
দেৱ দিয়া মন্ত্ৰী পলাইলেক ৰথ ছাৰি॥

সাৰথি সহিতে ৰথখান ভৈল চূৰ।
পাছক নচাৰে মন্ত্ৰী পলাই বহুদূৰ॥
অনন্তৰে বামে মুষলত দিলা পাক।
বাণৰ সেনাক মাৰিলন্ত জাকে জাক॥
প্ৰথমে মাৰিলা ৰামে আঠ শত ৰথ।
ষোহ্ল শত ঘোড়াক পেষিলা যম পথ॥
বত্ৰিশ সহস্ৰ হস্তী মাৰিলন্ত ৰামে।
আউৰ যত সেনা আইল মাৰিলা সংগ্ৰামে॥
ৰিপু দলে ৰলে লগাইলেক উসমিস।
ৰণ হাৰি বাণ প্ৰজা পলাই দশো দিশ॥
গদে কূপকৰ্ণে যুদ্ধ ভৈলা তাতপৰে।
গদৰ সাৰথি পাছে পড়িলা সনৰে॥
ৰথ এৰি গদে কোপ কৰি গুৰুতৰ।
লৈলা খাণ্ডা বাক বীৰে আতি ভয়ঙ্কৰ॥
কূপকৰ্ণ যথা আছে গৈলা সেহি থান।
প্ৰথমতে ৰথ ভাঙ্গি কৰিলা নিৰ্য্যাণ॥
সাৰথিৰ মুণ্ড ছেদিলন্ত এক ঘাৱে।
কূপকৰ্ণ কেশে ধৰিলন্ত সেহি ঠাৱে॥
কাটিবাক লাগি খাণ্ডা ধৰি আছে শিৰে।
গদ মুখ চায়া মাত্তে কূপকৰ্ণ বীৰে॥
কম্পিত শৰীৰে কূপকৰ্ণ বোলে বাণী।
শৰণে পশিলো ৰক্ষা কৰা প্ৰাণ খানি॥

কৃষ্ণৰ কনিষ্ঠ তুমি মহাবীৰ সাৰ।
আমি কি তোমাক সম হইবো কোন চাৰ ॥
ৰাজাৰ দণ্ডিত থাকি কৰিলোহো ৰণ।
ৰাখিয়োক প্ৰাণ প্ৰভু দিয়োক শৰণ ॥
হেন শুনি গদে তাক নকাটি ৰাখিল।
কেশে ধৰি আপোনাৰ মাজক আনিল ॥
ভাল কৰি নিয়া তাক ৰক্ষা দিয়া থৈল।
পুনৰ্ব্বাপি গদ ৰিপুসেনা মাজে গৈল ॥
বস্তু বিৰচিত আতি কৰে ধৰি ৰাক।
দক্ষিণ হস্তত খাণ্ডা ধৰি যাই আক ॥
বিদ্যুত সঞ্চাৰে বিনাশন্ত ৰিপুসঙ্গ।
গদৰ বিক্ৰমে ডৰি ভৈলা ৰণভঙ্গ ॥
একেবাৰে ৰথী ৰথ সাৰথি সহিতে।
ঠাকঠিক কৰি বীৰে কাটিলা হৰিতে ॥
গদৰ প্ৰহাৰে কটা যাই জোটা জোট।
মাহুতে সহিতে মৰি যাই হস্তী গোট ॥
একে কোবে মাৰে প্ৰজা চল্লিশ পঞ্চাশ।
গদৰ বিক্ৰম দেখি বাণৰো হুতাস ॥
তিনি অক্ষৌহিণী সেনা মাৰিলন্ত গদ।
শোণিতে বহাইল নদী প্ৰজা নিশবদ ॥
বহয়ে শোণিত নদী বহল দীঘল।
পলাই কটক পড়ি তাতে যাই তল ॥

মাংস ভৈল কৰ্দ্দম সেৱাল কেশচয়।
বাণ সব সৰ্প ধনুগণ ঢউময় ॥
উট গ্ৰাহ ভৈল তাত কুঞ্জৰ মগৰ।
ঘোড়া ঘৰিয়াল মৎস্য ভূষণ নিকৰ ॥
হেন শোণিতৰ নদী ভৈল বহুদূৰ।
ভূত প্ৰেত পিশাচ আসিল সেহি পুৰ ॥
শোণিতৰ নদীত নামিয়া কৰে কেলি।
কটা মুণ্ড লৈয়া অন্যো অন্যে মাৰে দলি ॥
পাতি গোট লৈয়া প্ৰেত বায়য় মৃদঙ্গ।
মাৰ্গ দৰশিয়া নাচে কৰিয়া ত্ৰিভঙ্গ ॥
শোণিত ভুঞ্জিয়া সবে ভৈলন্ত হৰিষ।
তেজ মাংস খাই পেট ভৈল ঠিস ঠিস ॥
কতো কতো পিশাচে শবক কৰি বলি।
ৰঙ্গ চঙ্গ কৰি অন্যো অন্যে মাৰে দলি ॥
গদক প্ৰশংসা কৰে হোক ৰণ জয়।
যদু সেনাগণে জয় জোকাৰ পাৰয় ॥
গদৰ সমৰ কথা বৰ্ণাইবেক কোনে।
যেন যুদ্ধ ভৈল গুনা কাৰ্ত্তিকে মদনে ॥
দুয়ো বীৰ বলৱন্ত সমৰে দুৰ্ব্বাৰ।
দুয়ো দুইক কৰিলন্ত অনেক প্ৰহাৰ ॥
ৰুধিৰে দিগিধ দেহা দেখিতে সুহাই।
ফুলিল পলাশ বৃক্ষ তাহাৰ পৰাই ॥

অনন্তৰে কামদেৱ সমৰে সুজান।
কাৰ্ত্তিকৰ হাতত কাটিল ধনু খান ॥
ধনু ছেদে গৌৰীসুত মনে মহাদুঃখ।
ক্ৰোধত শকতি ধৰি ভৈলন্ত সম্মুখ ॥
প্ৰলয়ৰ বহ্নিসম শকতি প্ৰকাশে।
কোটি এক শশী যেন উদিত আকাশে ॥
ভয় ভৈল দেৱগণ নক্ষত্ৰ মণ্ডল।
ফাট দিয়া বসুমতী কৰে টলবল ॥
মহাভয়ে প্ৰজাৰ লাগিল উসমিস।
ৰণ পৰিহৰি প্ৰজা পলাই দশোদিশ ॥
দুয়ো সেনা মধ্যে বৰ ভৈল হাঁহাঁকাৰ।
কাৰ্ত্তিকে বোলয় কাম শুন দুৰাচাৰ ॥
ইষ্টদেৱ স্মৰ ৰাখন্তা নাহি আন।
তোক মাৰি আমাসাৰ সাধোহো কল্যাণ ॥
তোৰ পুষ্পধনু শৰ স্বভাৱে কোমল।
তাক ছেদি জগতৰ কৰোহো কুশল ॥
তোৰ শৰঘাৱে গাৱ নকৰয় টান।
তথাপি মুনিৰ তই ভাঙ্গস ধিয়ান ॥
তোৰ পুষ্পধনু ছোট সহিবে নপাৰি।
হবে পৰপত্নী বধূ চাণ্ডালবো নাৰী ॥
জীয়োক জগত আজি দুৰ্গতি খণ্ডোক।
সাৱধান হোৱা কাম পেষো যমলোক ॥

এহি বুলি গৌৰীসুতে হানিলা শকতি।
ঝোকাৰন্তে চলে শক্তি অগ্নি সম জ্যোতি ॥
বাণ কটকৰ দেখি ভৈল বড় ৰঙ্গ।
শকতিক লক্ষ্য কৰি নাহি ভুকভঙ্গ ॥
উপৰক দৃষ্টি চাই দিয়া এক ডেৰ।
আলগতে শকতি ধৰিলা কামদেৱ ॥
শকতি ধৰিয়া কামে এক ৰিঙ্গ দিল।
সাধু সাধু বুলি দেৱে পুষ্প বৰষিল ॥
মদন বদন্তি গৌৰীসুত শুন বাণী।
অবোধ কাৰণে মোক নিন্দস নজানি ॥
মোৰ পুষ্প ধনুক কৰিলি উপহাস।
যিটো ধনুৰ্ব্বাণে হোৱে জগতৰ নাশ ॥
এহি পুষ্পবাণে হৰে নপাইলন্ত উলি।
মৰা শৰ কান্ধে কৰি ফুৰাইলন্ত তুলি ॥
দেৱৰ বৰিষ শত সহস্ৰ বৎসৰ।
কান্ধে মৰা শৰক ফুৰাইলা নিৰন্তৰ ॥
ভজিল মোহোক মানি তপস্যা অলিক।
বাউল হুয়া বিহাইলন্ত পৰ্ব্বতৰ জীক ॥
এহি ধনু প্ৰসাদে তুমিও ভৈলা জাত।
কিবা সঙ্কা মিছা পুছি চাৱোক বাপত ॥
সিদ্ধ মুনি বিদ্যাধৰ স্থাৱৰ জঙ্গম।
মোৰ পুষ্প ধনু শৰে সবাৰে সঙ্গম ॥

হেন পুষ্পবাণ মোৰ কৰিলিহি বৃথা।
কালি জন্মি উৰ্দ্ধ পুৰুষৰ কহ কথা॥
এহি বুলি শকতি হানিলা হৰি সুতে।
পলাইলা কাৰ্ত্তিক নামি ময়ূৰৰ ক্ৰুতে॥
কাৰ্ত্তিক পলাইল দেখি ধাইল অসুবাণ।
মদনক কৰিলেক শূলৰ সন্ধান॥
লীলায়ে মদনে কৰি ত্ৰিশূল সন্ধান।
অসুবাণ অসুৰক নিলা যমস্থান॥
অসুবাণ পৰিলেক ধাইলে কূটবাণ।
মদন কুসুম শৰ কৰিলা সন্ধান॥
কামদেৱে তাহাক হানিলা ঘোৰ শূল।
সেহি শূলে কূটবাণ ভৈলেক নিৰ্ম্মূল॥
কূটবাণ নাশি কামদেৱ আছে ৰঙ্গে।
পৰিঘ ধৰিয়া শঙ্কুবাণ ধাইলা খঙ্গে॥
মদনক কৰিলেক পৰিঘ প্ৰহাৰ।
মুদ্গাৰ হানিলন্ত হৰিৰ কুমাৰ॥
মুদ্গাৰ পড়িয়া শঙ্কুবাণ গৈলা মৰি।
থাকিলা মদনে হাতে পৰিঘক ধৰি॥
গোটে গোটে খেদি আইল উনশত বাণ।
কামদেৱ সবাকো পেষিলা যমস্থান॥
এগোটাৰ অস্ত্ৰে আউৰ গোট মাৰে ৰঙ্গে।
উনশত বাণ সংহৰিলা মহা খঙ্গে॥

আউৰ অসংখ্যাত হস্তী ঘোড়া বহুতৰ।
লেখা জোখা নাহি পেখিলন্ত যমঘৰ ॥
অদ্ভুত কৰিয়া প্ৰজা পেহ্লাইলা সংহৰি।
নিগুটি কৰিয়া সবে সংহাৰিলা অৰি ॥
সেহি বেলা সাম্নে গণপতি ভৈলা ৰণ।
শুনিয়োক কথা অভিমন্যুৰ নন্দন ॥
মূষকত চড়ি গণপতি ধাইল আসি।
দেখি সাম্নে আগ ভেটিলন্ত ৰঙ্গে হাসি ॥
যিবেলা গৌৰীৰ গৰ্ভে ভৈলা উতপন্ন।
তোমাক চাহিবে আইল যত দেৱগণ ॥
ত্ৰিদশক দুৰ্গা বুলিলন্ত হেন বাণী।
পুত্ৰৰ সন্দেশ বস্তু কিবা আছা আনি ॥
ত্ৰিদশে বোলন্ত কিবা পুছিলা আমাত।
কোন বস্তু আছে মাৰ নচলে তোমাত ॥
তোমাৰ পুত্ৰক মাৰ দিলো এহি ভাগ।
ভুঞ্জন্তোক পূজা আসি ত্ৰিদশৰ আগ ॥
এহি বুলি ত্ৰিদশ গৈলন্ত নিজ থান।
অগ্ৰ পূজা বলি সবে ভুঞ্জা যতমান ॥
ভোজনৰ ছোটে বড় ওলমিল পেট।
সম্মুখে চাহন্তে ভালে নেদেখাহা হেঠ ॥
ঘোড়াৰ পিঠিত গজ কন্ধৰ উপৰে।
আৰোহিবে নোৱাৰাহা উদৰৰ ভৰে।

মূষক ঘোটক তুমি খুজি পাইলা যান।
তাহাত উঠিয়া ফুরা সদা সর্ব্বস্থান॥
গজমুণ্ড নিকালিয়া আছে এক দান্ত।
করহ মোদক তুমি নকরা বিশ্রান্ত॥
উঠি আসি দেখি মোক রণে দিলা ধার।
পালটি যায়োক হেরা করো নমস্কার॥
তথাপি যুজাহা কষ্ট নকরিয়া মনে।
ঘসাইবোহো তেবে লেটপেট করি রণে॥
হেন শুনি গণপতি ক্রোধ করি বর।
সামর হিয়াত মারিলন্ত দশ শর॥
সামে অর্দ্ধচন্দ্র শর করিলা সন্ধান।
গণেশর হাতর কাটিলা ধনুখান॥
ধনু ছেদি সাম গৈলা লরর মারিয়া।
মূষকর নমাইলন্ত চরণে ধরিয়া॥
ডিঙ্গা নারখান যেন আনিলা ঘসাই।
হেন দেখি বাণসুত কুম্ভ গৈলা ধাই॥
কুম্ভ আসিবার দেখি গণেশক এড়ি।
করে গদা ধরি বিপরীত দিলা পেরি॥
সাম্বর আটাসে পুরিলেক দিশপাশ।
বাণ কটকর বর লাগিল ত্রাস॥
আথেবেথে গণপতি মূষকত চড়ি।
ভয় হুয়া পলাইলা রণ ভূমি এড়ি॥

কুম্ভক কৰিলা সাম্বে গদাৰ প্ৰহাৰ।
বাণসুত কুম্ভ গৈল যমৰ দুৱাৰ॥
কুম্ভ পৰিবাৰ দেখি যত ভাই আছে।
একেবাৰে সাম্বক বেঢ়িল আগে পাছে॥
হেন দেখি সাম্ব ধাইল কৰে গদা ধৰি।
মৃগযূথ লাগি যেন প্ৰমত্ত কেশৰী॥
এক এক গদাকোবে কৃষ্ণৰ কুমাৰ।
মুহূৰ্ত্তেকে সবাকো পেষিলা যমদ্বাৰ॥
নিগুটি কৰিলা সবে বাণসুতচয়।
চাৰি অক্ষৌহিণী সেনা গৈল যমালয়॥
কৰে গদা ধৰি সাম্বে যিভিতিক চাৰে।
সিভিতিৰ প্ৰজা ভাগি ত্ৰাসে পলাৱে॥
যেন বহ্নিকুণ্ড লাগি আছে ঘোৰ বনে।
সেহিমতে সেনা মাৰিলন্ত সাম্বে ৰণে॥
সাত্যকিক যুজিয়া আছিল বাণৰাই।
সাত্যকিক এড়িয়া সাম্বক খেদি ধাই॥
হেন দেখি কৃষ্ণ আগ ভেটিলন্ত তাক।
মোৰ কাল আছোক বাণ এৰি যাহ কাক॥
হাজাৰেক বাহু মোৰ ছেদিব কেমনে।
সিংহ এড়ি সিংহ শিশু ধাস কি কাৰণে॥
হেন শুনি বাণৰাজা মহাক্ৰোধ কৰি।
গোবিন্দক ধাইল পাঞ্চ শত ধনু ধৰি॥

আঠৰ হাতে পাঞ্চ শত হানে শৰচয়।
প্ৰত্যেক ভৰিতে ভূমি থৰতে কাম্পয় ॥
একেবাৰে গোবিন্দক ফেলিলা সমৰে।
দিশপাশ আকাশ ঢাকিল বাণ শৰে ॥
সাৰঙ্গ ধৰিয়া অন্তৰ্হোল দেৱহৰি।
অৰ্দ্ধচন্দ্ৰ শৰ প্ৰহাৰিলা লক্ষ্য কৰি ॥
বড় ছোটে ভেদিলন্ত ময়ূৰৰ ধ্বজ।
পাছে কাটি পেলাইল ৰথৰ দশ গজ ॥
সাৰথিৰ শিৰ ছেদিলন্ত শৰ হানি।
পাঞ্চ শত ধনুকো কাটিলা চক্ৰপাণি ॥
ধনু ভঙ্গে বাণ ৰাজা মহ ক্ৰোধ কৰি।
গোবিন্দক ধাইল আঠৰ খড়্গ শৰ ধৰি ॥
অৱহেলে তাহাক কাটিলা হৃষীকেশ।
পাঞ্চ শত গদা বাণে ধৰিলা বিশেষ ॥
কাটিল গদাক হৰি ক্ষুৰশৰ ধৰি।
অনন্তৰে বাণৰাজা মহাকোপ কৰি ॥
সহস্ৰেক শূল ধৰি ধাইল মহাবেগে।
পৃথিবী আকাশ টলবল যেন ভাগে ॥
মহাক্ৰোধে প্ৰহাৰিলা হাজাৰেক শূল।
হাসি কৃষ্ণে শৰে কাটি কৰিলা নিৰ্ম্মূল ॥
যেহি যেহি অস্ত্ৰ প্ৰহাৰয় কোপমনে।
সেহি সেহি অস্ত্ৰক কাটন্ত তেতিক্ষণে ॥

অস্ত্ৰহীন ভৈল ৰাজা মহাঘোৰ ৰণে।
হাজাৰেক বাহু মেলি গ্ৰাসিবাক মনে॥
খেদি আসে দেখি কৃষ্ণে হাতে চক্ৰ ধৰি
অসুৰক সম্বন্ধি মাতিলন্ত দেৱহৰি॥
বাণ নৃপতিৰ হাজাৰেক তাৰ কৰ।
চাৰিখান ৰাখি মাত্ৰ কাটিয়ো সত্বৰ॥
এহি বুলি চক্ৰ হৰি কৰিলা প্ৰহাৰ।
চিকিমিকি কৰি চলে পৱন সঞ্চাৰ॥
সহস্ৰ আদিত্য যেন চক্ৰে যাই খেদি।
হাজাৰেক বাহু তাৰ পেলাইলন্ত ছেদি॥
চাৰিখান বাহু ৰাখিলন্ত অৱশেষ।
পুনু চক্ৰ আইল যিঠাৱে হৃষীকেশ॥
সুদৰ্শন চক্ৰ যেবে কৃষ্ণ হাতে গৈলা।
পুনৰপি বাণে যুঁজিবাক সাজ ভৈলা॥
বাম দুই হাতে লৈলা ধাৰু দুই খান।
দক্ষিণ দুই হস্তে খাণ্ডা ধৰিলন্ত বাণ॥
তেন দেখি দুগুণে কিটাইলা দেৱ হৰি।
কাটিবাক সাজ ভৈলা কৰে চক্ৰ ধৰি॥
নামত কোট্টৰী আতি তাই বাণ মাতা।
বাণে কৃষ্ণে যুদ্ধ ভৈল তাই পাইলে বাৰ্ত্তা॥
হাজাৰেক বাহু ছেদিলন্ত চক্ৰপাণি।
তথাপি কৃষ্ণক খেদি যাই মন্দ প্ৰাণী॥

কৃষ্ণে যেবে আসে কোপে কৰে চক্ৰ ধৰি।
হেন বাৰ্ত্তা পাইলে তাই নামন্ত কোট্ৰৰী॥
কাটিবাক লাগি চক্ৰ ধৰিলা প্ৰবন্ধি।
পলাইবাক লাগি বাণে নপাৰয় সন্ধি॥
কোনবা প্ৰকাৰে তাৰ প্ৰাণ ৰক্ষা যাই।
হেন দেখি ৰাজমাতা চিন্তিলা উপাই॥
অতি শীঘ্ৰে গৈলা তাই সমৰৰ মাজ।
দেখে পুত্ৰ বধিবাক কৃষ্ণে ভৈলা সাজ॥
যাৰে নষ্ট চক্ৰ প্ৰহাৰন্ত দেৱহৰি।
উলঙ্গত হুয়া মষ্ট হও দিগম্বৰী॥
পুত্ৰ স্নেহে কোট্ৰৰী এড়িলে লাজ কাজ।
বিবস্ত্ৰা ভৈলেক তাই ৰণভূমি মাজ॥
বিবস্ত্ৰা নাৰীক দেখিলন্ত দেৱহৰি।
থাকিলন্ত নাৰায়ণে মুখ কাতি কৰি॥
জাণ্টে পলা পলা পুত্ৰ পাৱয় আটাস।
পলায়া গৈলেক বাণ শঙ্কৰৰ পাশ॥
শঙ্কৰে দেখয় তাৰ ছেদ ভৈল কৰ।
কোপে জলিলেক হৰ যেন যমসৰ॥
ব্ৰহ্মা ইন্দ্ৰ প্ৰমুখ্যে যতেক দেৱগণ।
স্বৰ্গ ছাৰি ভূমিত ভৈলন্ত উপসন্ন॥
সমৰ ভূমিত দেৱগণ ভৈলা থিৰ।
হৰক বোলন্ত কিবা কৰা সদাশিৱ॥

হৰ মুখ চাই ব্ৰহ্মা দিলন্ত উত্তৰ ।
বিষ্ণুগুণ শৰ ছোট পাসৰিলা হৰ ॥
পৃথিবীৰ ভাৰ সংহৰিলা অবিকলে ।
তুমি আমি বিষ্ণু চলো যাব আজ্ঞাবলে ॥
আমাৰে সে কাৰ্য্য সাধি ফুৰন্ত মাধৱ ।
তুমি কি কাৰণে তাঙ্ক কৰা উপদ্ৰৱ ॥
কাঞ্চন এড়িয়া কাচ মণি লৱা টানি ।
পুষ্পক এড়িয়া তুমি লৱা কাঠমণি ॥
ক্ৰোধ পৰিহৰি থিৰ কৰিয়োক চিত্ত ।
সবে মিলি যাওঁ আসা কৃষ্ণৰ সহিত ॥
ব্ৰহ্মাৰ বচনে হৰে এড়িলা সমৰ ।
কৃষ্ণৰ পাশক লাগি চলি গৈলা হৰ ॥
মাত বোল কৰি দুয়ো ভৈল একমত ।
বুলিলন্ত পূৰ্ব্বাপৰ কাৰ্য্য অভিমত ॥
পূৰ্ব্বত অমৰ বৰ দিলোঁহো বাণক ।
কেনমতে মাৰিবাহা ইহাৰ প্ৰাণক ॥
হেন শুনি হৰি পাছে দিলা সমিধান ।
এতিসে কাৰণে তাৰ ৰক্ষা গৈল প্ৰাণ ॥
পৃথিবীৰ ভাৰ কিন্তু লাগে খণ্ডিবাক ।
কৈলাসক লাগি লৈয়া যায়োক ইহাক ॥
দ্বাৰত থৈয়োক নিয়া দ্বাৰপাল কৰি ।
এহি বুলি হৰক প্ৰবোধ দিলা হৰি ॥

হৰিক প্ৰণাম কৰিলন্ত দেৱগণ।
বাণে প্ৰণামিলা আসি কৃষ্ণৰ চৰণ॥
অনিৰুদ্ধ কুমৰক আনিলেক বাণ।
ঊষাক আনিয়া বিধিমতে দিলা দান॥
ৰথি ৰথ দাস দাসী সুবৰ্ণ ৰজত।
অনেক যৌতুক দিলা জীউৰ সংগত॥
অনিৰুদ্ধে কুম্ভাণ্ডক বুলিলন্ত বাণী।
চিত্ৰলেখা নামে যে তোমাৰ জীউখানি॥
গদক দিয়োক বিভা আমাৰ বচনে।
হেন শুনি মন্ত্ৰী আনি দিলা ততিক্ষণে॥
চিত্ৰলেখা কন্যাক গদক দিলা দান।
দক্ষিণা দিলেক মন্ত্ৰী শকতি যিমান॥
পাছে কৃষ্ণ বাণসুত নিকুম্ভক আনি।
অভিষেক ৰাজ্যত কৰিলা চক্ৰপাণি॥
নিকুম্ভক শোণিত পুৰত ৰাজা কৰি।
যথাযোগ্য দেৱতাক বিসৰ্জ্জিলা হৰি॥
নিজ সঙ্গে বাণক নিলন্ত ত্ৰিপুৰাৰি।
কৈলাসত তাক নিয়া পাতিলা দুৱাৰী॥
হৰিৰ প্ৰসাদে বাণ সৰ্ব্বসিদ্ধি ভৈল।
মানৱী শৰীৰে দেৱ ভুৱনক গৈল॥
পাছে মহাৰঙ্গে ৰথে চড়ি দেৱ হৰি।
চলিলন্ত আপোনাৰ দ্বাৰকা নগৰী॥

মহাবলে পুষ্প বরিষয় দেবগণ।
পরম আনন্দে যায় আপোনার থান॥
শ্রীচন্দ্র ভারতি ভণে কেজা আন কাম।
পাতক ছাবোক ডাকি বোলা রাম॥

ঝুলড়ী

দ্বারক নগর, যায় দামোদর
করি আতি বহু রঙ্গ।
সেনার আস্ফোট নাচে নটী নট
বাজয় তাল মৃদঙ্গ॥
বাজয় মাদল তাল করতাল
অসংখ্য হাজার বাজে।
বাজে বাদ্য ভাণ্ড উথলে প্রচণ্ড
যেন ঘন মেঘ গাজে॥
দ্বারকা নগরে লোক নিরন্তরে
জানিলা আসন্ত হরি।
সবাহুরে আসে পরম উল্লাসে
চাহে দীপ ঘট ধরি॥

উষা অনিৰুদ্ধ বিবাহ প্ৰসিদ্ধ
কৰাইলা বংশ যতেক।
চিত্ৰলেখা পদ বিবাহ আমোদ
কৰাইলা হৰি প্ৰত্যেক ॥
সমস্তৰ চিত্ত কৰিলা ৰঞ্জিত
সকলে সন্তোষ ভৈল।
আনো ৰাজা যত দেৱতা সমস্ত
পৰিবৰ্ত্তি গৃহে গৈল ॥
ভাগৱত পদ শুনা নিশবদ
বিৰচিলো ৰজমনে।
হৰিহৰ ৰণ কুমৰ-হৰণ
সমাপত্তি এহিমানে ॥
নমো নমো কৃষ্ণ কৃপাময় ইষ্ট
কৃপাৰ সাগৰ হৰি।
কৃপা কৰা নাথ ত্ৰাহি জগন্নাথ
সবে দোষ পৰিহৰি ॥
তযু ভকতৰ সঙ্গ হোক মোৰ
বচনে নেৰোক নাম।
তোমাৰ চৰণে পশিলো শৰণে
নাহি মোৰ আন কাম ॥
কৃষ্ণ পদ দৃঢ় ভাগৱত পদ
শ্ৰীচন্দ্ৰ ভাৰতি ভণে।

আন যত কাম কৰিলো বিৰাম
একান্ত সাধু ভজনে ॥
সাধু সঙ্গ মোক সদায় দিয়োক
নমাগোহো আন বৰ ।
জনমে জনমে সাধু সমাগমে
স্থিতি হোক নিৰন্তৰ ॥
ধৰ্ম্ম শাস্ত্ৰ যত তাহাৰ উদ্ধৃত
শ্ৰীভাগৱত সাৰ ।
যাৰ মুখে ইটো বিচিত্ৰ ভৈলন্ত
সন্ত সূৰ্য্য নাম তাৰ ॥
শৰণ ভজন ভক্তিৰ লক্ষণ
প্ৰচাৰিলা জগ ভৰি ।
তাহান কৃপাত আমি ভৈলো জ্ঞাত
ভক্তি যে সংসাৰ তৰি ॥
ভক্তি সব গূঢ় আমি মহা মূঢ়
শাস্ত্ৰ গৰ্ব্বে অন্ধ ভৈলো ।
ইটো মদান্ধত তাৰিয়োক নাথ
চৰণে বিক্ৰয় গৈলো ॥
শৰণ ভজন ধৰ্ম্ম বিজ্ঞাপন
কলি ধৰ্ম্ম সাৰতৰ ।
শ্ৰৱণ কীৰ্ত্তন ভকতি প্ৰধান
প্ৰকাশ কৈলা শঙ্কৰ ॥

শাস্ত্র প্রতিপাদ্য সন্ত সূর্য্য আদ্য
নির্নিন্দিবা একো প্রাণী।
কলি যুগ মধ্যে বৈষ্ণবেসে বিষ্ণু
কহিলো সন্ত কাহিনী॥
বিষ্ণুপদ যত বৈষ্ণবে সেরন্ত
আমিয়ো সেবো চরণ।
মোর দোষ খণ্ডি যমে যেন দণ্ডি
নকরোক নারায়ণ॥
যত অপরাধ মাগোহো তোমার
ক্ষমিয়ো হয়ু চরণে।
পদ কবিতাত রচিলো সাক্ষাতে
রচা টুটা দোষ মানে॥
মোর পদচয় নোহে সুখোদয়
কৃষ্ণর চরণ ধরি।
বচন চাতুরি সবে দূর করি
ডাকি বোলা হরি হরি॥

সমাপ্ত

[illegible]

[illegible]

[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]
[illegible]	[illegible]	[illegible]	[illegible]

[illegible]

[illegible]

[illegible]

[illegible]